# ভাতখাণ্ডে সঙ্গীত বিদ্যাপীঠ, লক্ষ্ণৌ পাঠ্যক্ৰমৰ

## ২০১৫-১৬ বৰ্ষ

# MADHYAMA (মধ্যমা)

# THEORY PART

# মধ্যমা(Madhyama)
# গায়ন(Vocal)
# শাস্ত্র(Theory)

১. ভাৰতীয় সংগীতৰ চমু ইতিহাস।

২. পণ্ডিত ব্যংকটমুখীৰ ৭২ টা ঠাট বা মেল আৰু পণ্ডিত বিষ্ণুনাৰায়ণ ভাতখাণ্ডেৰ ১০ টা ঠাট ৰাগ পদ্ধতি সম্পৰ্কে আলোচনা ।

৩. ৰাগৰ সময় সিদ্ধান্ত।

৪. ৰাগ বিভাজন।

৫. পাঠ্যক্রমৰ ৰাগসমূহৰ বিৱৰণ আৰু সমপ্রকৃতি ৰাগত তুলনা।

৬. জীৱনী আৰু সংগীতৰ ওপৰত অৱদানঃ-
   ক)পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰ খ) ৰাজাভৈয়া পুছ্‌ৱালে গ) ওস্তাদ ফৈয়াজ খাঁ।

৭. পাঠ্যক্রমৰ ৰাগসমূহৰ স্বৰলিপি লিখাৰ অভ্যাস।

৮. তালৰ জ্ঞান-১) ৰূপক ২) দীপচন্দ্রী ৩) পঞ্জাবী আৰু ৪) তীব্ৰা।
   পূৰ্ববৰ্ষৰ তালৰ বিভিন্ন লয়কাৰী জনাৰ আৱশ্যক।

## (১) ভাৰতীয় সংগীতৰ চমু ইতিহাসঃ-

ভাৰতীয় সংগীতৰ ইতিহাস মানৱ জাতিৰ এক অতিকে পুৰণি ইতিহাস। মানুহে গীত গাব, বাদ্য বজাব আৰু নৃত্য কৰিবলৈ শিকিছিল কথা কবলৈ শিকাৰ বহু আগতেই। তথাপিও সঠিক ৰূপত এইটো কব পৰা নাযায় যে ভাৰতীয় সংগীতৰ প্ৰথমে কেতিয়া আৰু ক'ত উৎপত্তি হৈছিল। ভাৰতীয় সংগীতৰ ইতিহাস, অধ্যয়ন কৰিলে দেখা যায় যে বহুতো দাৰ্শনিক, বৈজ্ঞানিক তথা আধ্যাত্মবাদী নিৰ্বিশেষে বিশ্বৰ পণ্ডিত, মনীষী সকলে সংগীতৰ উৎপত্তি সম্পৰ্কত নিজা নিজা দৃষ্টিভংগীৰে মত প্ৰকাশ কৰিছে। সেয়েহে ভাৰতীয় সংগীতৰ উৎপত্তিৰ ক্ষেত্ৰত বিভিন্ন মতানৈক্য হোৱা দেখা যায় আৰু এই সম্পৰ্কত সঠিক ভাৱে একো কব পৰা নাযায়।

আমি জানো যে, মানৱ জীৱনত সংগীতে এক বিশেষ ঠাই অধিকাৰ কৰি আছে।কেঁচুৱা এটিও টোপনি যায় নিচুকণি গীত শুনি, কীৰ্তন ভাগৱতৰ পাঠো কৰা হয় সুৰ ধৰি। সমাজৰ প্ৰতিটো উৎসৱ-পাৰ্বনতে সংগীতৰ প্ৰয়োজন দেখা পাওঁ। আদিম অৱস্থাৰ পৰা মানৱ জাতিৰ ইতিহাসত স্থান আৰু কালভেদে সংগীতে বিভিন্ন ৰূপ গ্ৰহণ কৰা দেখা যায় সভ্যতাৰ পোহৰ নোপোৱা অনুন্নত অৰণ্যবাসীৰ মাজতেই হওঁক বা আধুনিক সভ্যতাৰ পোহৰেৰে উদ্ভাসিত দেশতেই হওঁক সকলোতেই গীত,বাদ্য আৰু নৃত্যক অপৰিহাৰ্য্য অঙ্গ হিচাপে ব্যৱহৃত হোৱা দেখা যায়।

"Man does not live by bread alone"

অৰ্থাৎ শৰীৰৰ আহাৰেই মানৱৰ কাৰণে যথেষ্ট নহয়। মানুহ কেৱল আহাৰ আৰু বতাহৰ দ্বাৰাই চালিত এটা যন্ত্ৰ নহয়। সি মনৰ খোৰাক বিচাৰে।

সাহিত্য সংগীত কলাবিহীন
সাক্ষ্যাপশুঃ পুচ্ছবিষাণহীন
তৃণং ন খাদন্নপি জীৱমানঃ
তদ্ভাগদেয়ং পৰমং পশুনাম

পৃথিৱীৰ ভিতৰত বোধহয় ভাৰতীয়ই একমাত্ৰ ধৰ্মীয় সংস্কাৰ পূৰ্ণ জাতি যিয়েই সংগীতৰ সন্ধান বিচাৰি দেৱলোক পায়গৈ। এই ক্ষেত্ৰত বিভিন্ন পৰম্পৰাগত জনবিশ্বাসবোৰ পোৱা যায়।

ঐতিহাসিক দৃষ্টিত ভাৰতীয় সংগীতৰ ইতিহাস মুখ্যতঃ তিনি ভাগত বিভক্ত কৰিব পাৰিঃ

১) প্ৰাচীন কাল

২) মধ্য কাল

৩) আধুনিক কাল

**১) প্ৰাচীন কালঃ-**

ভাৰতীয় সংগীতৰ উৎপত্তিৰ মতসমূহ বেছিভাগেই ধৰ্মীয় বিশ্বাস আৰু কিংবদন্তিসমূহৰ আধাৰত প্ৰতিষ্ঠিত। ধৰ্মীয় বিশ্বাস অনুযায়ী সংগীতৰ উৎপত্তি পোনতে বেদ নিৰ্মাতা সৃষ্টিকৰ্তা ব্ৰহ্মাৰ দ্বাৰা হৈছিল। ব্ৰহ্মাই সৰ্বপ্ৰথমে শিৱক সংগীত কলা প্ৰদান কৰে। শিৱৰপৰা এই কলা সৰস্বতীয়ে গ্ৰহণ কৰে। সেয়েহে দেৱী সৰস্বতীক 'বীণা পুস্তক' ধাৰিণী বুলি কোৱা হয় আৰু এওঁৱেই হ'ল সাহিত্য-সংগীতৰ আধিষ্ঠাত্ৰী দেৱী। সৰস্বতীৰ পৰা সংগীত কলাৰ জ্ঞান পালে মুনি নাৰদে। তেওঁ গন্ধৰ্ব, কিন্নৰ আৰু অপ্সৰাসকলক সংগীতৰ শিক্ষা দিয়ে। সেই পৰম্পৰাৰ অনুযায়ীয়েই ভৰত, নাৰদ,হনুমন্ত আৰু বহুতো ঋষি-মুনিয়ে সংগীত কলাত পাৰ্গত হৈ ভূলোকত সংগীত কলা প্ৰচাৰত অৱতীৰ্ণ হয়। বহুতো পণ্ডিতৰ মতে, 'ওঁ' কাৰ ধ্বনিৰ পৰাও সংগীতৰ সৃষ্টি হয়।সংগীতক ঐতিহাসিক দৃষ্টিৰে বিবেচনা কৰিবলৈ হ'লে সিন্ধু উপত্যকাৰ সভ্যতাৰ সময়ৰ পৰাই আৰম্ভ কৰিব লাগিব।

**সিন্ধু সভ্যতাৰ যুগ বা প্ৰাক বৈদিক যুগ ঃ**

সম্ভৱত ৫০০০ খ্ৰীঃ পূৰ্বৰ পৰা ৩০০০ খ্ৰীঃ পূৰ্বলৈ এই যুগ ধৰা হয়। এই যুগৰ আগলৈকে য'ত মানুহে আকাৰ ইংগিতেৰে ভাৱ বিনিময় কৰিছিল সেই সময়ত সংগীতৰ বাবে মানুহৰ ভাষাই আৱিস্কাৰ হোৱা নাছিল। সেই সময়ত সভ্যতাৰ নিদৰ্শন গুহাইদি আহিছিল। মানুহৰ সভ্যতা বহু কোটি বছৰীয়া পুৰণি। আওপুৰণি বৰ্বৰতাক ধুই নিকা কৰি পোৱা এটি নতুন মানৱ সভ্যতা।

সিন্ধু সভ্যতাৰ সময়ত ভাৰতীয় সংগীতৰ বহুল প্ৰচলন আছিল। সেই সময়ত বিভিন্ন উৎসৱাদিত গায়ন-বায়ন আৰু নৃত্যকলাৰ প্ৰদৰ্শন হৈছিল। মানুহৰ শিল্প সংস্কৃতিৰ প্ৰাচীন সভ্যতা নিদৰ্শন ১৮২৫ চনত সিন্ধুৰ মহেঞ্জোদাৰো আৰু পঞ্জাবৰ হৰপ্পাৰ খনন কাৰ্য্যত পোৱা গৈছিল।

বিভিন্ন ধৰণৰ বাদ্যৰ উপৰিও ধাতুৰে নিৰ্মিত নৰ্তকী মূৰ্তিৰ আৱিস্কাৰে প্ৰমান কৰে যে সিন্ধু নদীৰ উপত্যকাৰ আধিবাসীসকল সংগীতত পৰিদৰ্শী আছিল।তথাপিও প্ৰকৃততে কোন যুগৰ মানুহে ভাষা জ্ঞান পালে,সাহিত্য চৰ্চা কৰিলে, গীত-নৃত্যৰ শিক্ষা গ্ৰহণ কৰি মানৱ ৰূপ পালে।তত তাৰ সঠিক উত্তৰ নাই। মানুহে কল্পনাৰ মাধ্যমেৰেহে সভ্যতাৰ কাল নিৰ্ণয় কৰাৰ দৰেই সংগীতৰ ইতিহাসৰ কালো নিৰ্ণয় কৰিছে। ইয়াৰ সভ্যতা কিমান দূৰ কোনেও নাজানে।

**বৈদিক যুগঃ-**

পণ্ডিতসকলে ২০০ খ্ৰীঃ পূৰ্বৰ পৰাই এই যুগৰ সময় ধৰি লৈছে। বৈদিক সাহিত্যৰ পৰাই আমি বৈদিক কালৰ বিষয়ে জানিব পাৰো। সাহিত্যৰ বিষয়বস্তু চাৰিবেদৰ ওপৰত নিৰ্ভৰশীল। সেয়া হ'লঃ- ঋকবেদ, সামবেদ, যৰ্জুঃ বেদ, আৰু অথৰ্ব বেদ।

১) ঋকবেদৰ মাধ্যমেৰে তেতিয়া প্ৰকৃতি আৰু দেৱতা সকলৰ গান কৰা হৈছিল। ঋকবেদৰ যুগতআমি আৰ্যসকলৰ মাজত প্ৰচলিত ৰাজনৈতিক, সামাজিক তথা ধৰ্মীয় অনুষ্ঠানবোৰৰ বিষয়ে জানিব পাৰো। আৰু ইয়াৰ জৰিয়তে জানিব পাৰো তেওঁলোক অতি আগবঢ়া জাতি আছিল।ঋকবেদত মৃদংগ, বাঁহী, ডম্বৰু আদি বাদ্যযন্ত্ৰৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়।

২) সামবেদৰ মাধ্যমেৰে ঋকবেদৰ শ্লোক সমূহৰ অনুসৰণ কৰি ৰচনা কৰা হৈছিল। সামবেদত প্ৰথমে তিনিটা স্বৰৰ প্ৰয়োগ হৈছিল আৰু ক্ৰমে এটি এটিকৈ স্বৰ বৰ্ধিত হৈ বৈদিক কালতেই সাতটা স্বৰলৈ পৰিবৰ্তিত হয়। সামবেদত মন্ত্ৰবোৰক গীতৰ ৰূপ দিয়া হৈছিল তিনিটা স্বৰৰ দ্বাৰা। সেইয়া হ'ল- উদাও, চৰিত আৰু অনুদাও।

উদাও- নি আৰু গা, চৰিত- সা, মা, পা

অনুদাও-ৰে আৰু ধা

৩) বৈদিক যুগত যৰ্জুঃ বেদৰ মাধ্যমেৰে যাগ-যজ্ঞ মন্ত্ৰ আৰু বিভিন্ন পৰ্বৰ কথা বৰ্ণনা কৰা হৈছিল।

৪) অৰ্থব বেদৰ মাধ্যমেৰে বিভিন্ন সৃষ্টিৰ ৰহস্য ৰোগ, দানব আৰু জীব- জন্তুৰ পৰা পৰিত্ৰানৰ উপায় দিয়া হৈছিল।

বৈদিক সংগীতৰ সময়তেই গন্ধৰ্ব নামৰ সংগীতৰো প্ৰচলন আছিল। সমগানৰ অনুকৰণত যি নৰধাৰাৰ গীতৰ জন্ম হৈছিল সেয়াই গন্ধৰ্ব সংগীত। বৈদিক যুগত বিভিন্ন বাদ্যযন্ত্ৰ নৃত্য আদিও কৰা হৈছিল। যজ্ঞৰ চৌদিশ ঋষিৰ সুললিত ধ্বনিৰে সজাই তুলিছিল।

বেদৰ পাছতো উপনিষদতো যজ্ঞত মন্ত্ৰ পাঠ, গীত বাদ্য আৰু নৃত্যৰ সমান প্ৰচলনৰ কথা উল্লেখ পোৱা যায়।

**ব্ৰহ্মভৰত ঃ**

খ্ৰীঃপূৰ্ব ৬০০-৫০০ ভিতৰত মহৰ্ষি ভৰতে এখন গ্ৰন্থ লিখিছিল। এই ব্ৰহ্মভৰত গ্ৰন্থখনি ছয়ত্ৰিশ হাজাৰ শ্লোকেৰে পৰিপূৰ্ণ। এই খনি গ্ৰন্থৰ জৰিয়তে তেওঁ সেই সময়ৰ অভিনয় , কণ্ঠ, বাদ্য ,নৃত্যৰ উল্লেখ কৰিছে। তেওঁৰ গ্ৰন্থ খনিত ৫ টা অধ্যায় আছে য'ত ৩ টা অভিনয় আৰু ১ টা কণ্ঠ সংগীতৰ আৰু আনটো বাদ্যৰ আছিল বুলি জনা যায়।

**মহৰ্ষি পাণিণি ঃ** ব্যাকৰণ প্ৰণেতা মহৰ্ষি পাণিণিয়ে সেই যুগৰ 'অষ্টাধ্যায়ী ব্যাকৰণ' খন লিখিছিল আৰু ইয়াৰ জৰিয়তে গীত, নৃত্য, বাদ্যৰ ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে, বৈদিক যুগতেই সুপ্ত সুৰৰ ৰচনা হৈছিল। ইয়াৰোপৰি তেওঁ স্বৰৰ মাত্ৰা স্থান,তাল,মাত্ৰা আদিও উল্লেখ কৰিছে।

**পুৰাণ কালীন সংগীতঃ**- পুৰাণ যেনে বায়ুপুৰাণ, মাৰ্কেণ্ডেয় পুৰাণ, বৃহদ্ধৰ্ম পুৰাণ, বিষ্ণুপুৰাণ আদিত সেই যুগত সাতটা স্বৰ, তিনিটা গ্ৰাম আৰু বিভিন্ন মূৰ্ছনাৰ কথা পোৱা যায় ইয়াৰোপৰি তাল,লয় আৰু মাত্ৰাৰ বিভাজনৰ উপৰিও ছয়ৰাগ ছয়ত্ৰিশ ৰাগিনীৰ কথাও পোৱা যায়।

**মহাকাব্যৰ কাল ঃ**

ৰামায়ণ আৰু মহাভাৰত ভাৰতবৰ্ষৰ প্ৰাচীন, বিশাল আৰু ঐতিহাসিক মহাকাব্য হিচাপে জনা যায়। এই দুই গ্ৰন্থৰ ৰচনাকাল আনুমানিক ৮০০ শতাব্দী বুলি ধৰা হয়। সেই সময়ত মাৰ্গীয় সংগীতৰ প্ৰচলন আছিল । ইয়াৰোপৰি গন্ধৰ্ব আৰু সাম গানৰো প্ৰভাৱ আছিল । সেইসময়ৰ সংগীতৰ সাতটা স্বৰ, তিনিটা স্থানত গোৱা-বজোৱা হৈছিল । ৰামায়ণৰ সেই কালছোৱাত বাদ্য যন্ত্ৰৰ ক্ষেত্ৰত বীণা, বেণু, মৃদংগ আৰু ভেৰী আদিৰ প্ৰচলন

আছিল । লৱ-কুশই সাত শুদ্ধ জাতি, ৰাগ মূৰ্চ্ছনা, আঠ ৰস, আৰু শাস্ত্ৰীয় লক্ষণযুক্ত ৰামায়ণৰ গান গাইছিল। ৰামায়ণত সাতধৰণৰ শুদ্ধ জাতিৰ ৰাগৰ উল্লেখ পোৱা যায়।

মহাভাৰতত সাত স্বৰ আৰু গান্ধাৰ গ্ৰামৰ বৰ্ণনা পোৱা যায়। মহাভাৰতৰ অৰ্জুন এজন সুদক্ষ গায়ক আৰু বাদক আছিল । এই সময়ত বেণু, শংখ, ভেৰী, ঘণ্টা , বীণা, মৃদংগ, দুন্দুভি, নূপুৰ আদিৰ ব্যৱহাৰ হৈছিল ।

**বৌদ্ধকালীন সংগীত** ঃ এই কালছোৱা সংগীতৰ বাবে গুৰুত্বপূৰ্ণ আছিল বুলি কোৱা হয়।সেই সময়ত নাৰীৰ মাজত গীত, বাদ্য, নৃত্য তথা অভিনয়ৰ যথেষ্ট প্ৰসাৰ আৰু প্ৰচলন আছিল। এই কালত গীতৰ অলংকাৰ, তান, মূৰ্চ্ছনা তথা ৰাগ-ৰাগিনীৰ প্ৰচলন আছিল।

**গন্ধৰ্বকালীন সংগীতঃ-** গন্ধৰ্ব সকলে গোৱা গীতকেই গন্ধৰ্ব-গান বোলা হয়।এই গীতৰ স্ৰষ্টা ব্ৰহ্মা-ভৰত বা সদাশিৱ। এই গীতক মাৰ্গ সংগীতো কোৱা হয়। মাৰ্গ অৰ্থাৎ পথ অৰ্থাৎ মোক্ষ প্ৰাপ্তিৰ গীত। গন্ধৰ্ব গান দুই প্ৰকাৰৰ -

১) অনিবদ্ধ গান ২) নিবদ্ধ গান।

বিনা তালত গোৱা বা আলাপ কৰি গোৱা গীতক অনিবদ্ধ গান আৰু তালত বান্ধি গোৱা গীতক নিবদ্ধ গান বোলা হয়।

গন্ধৰ্বকালীন সংগীতত বাদ্য হিচাপে বাঁহী, বীণা,ঘণ.কৰতাল আৰু সাতটা স্বৰৰ ব্যৱহাৰ লগতে শ্ৰুতি, গ্ৰাম, মূৰ্চ্ছনা, বৰ্ণ আদিৰ ব্যৱহাৰ হৈছিল।

**ভৰতৰ নাট্য শাস্ত্ৰঃ-** এইখনি অতি অমূল্য গ্ৰন্থ। ইয়াত গীত, বাদ্য,নৃত্য, নাট্য, জাতি, স্বৰ, শ্ৰুতি, ৰাগ, অলংকাৰ আদিৰ লগতে প্ৰাচীন ভাৰতৰ সংগীতৰ বিষয়েও উল্লেখ আছে। এই গ্ৰন্থখনত ৩৬ টা অধ্যায় আছে। তাৰ ভিতৰত ২৮,২৯,৩০,৩১,৩২ আৰু ৩৩ অধ্যায়ত বিভিন্ন গায়নৰ ছন্দ গায়কৰ গুণ-দোষ, অলংকাৰ ৰচনা, বৰ্ণ, স্বৰ্ণ, স্বৰ, ধাতু আদিৰ উল্লেখ কৰিছে।

ভৰতৰ সময়ত সমাজত জাতি গায়নৰ প্ৰচলন আছিল।জাতি গান শুদ্ধ বিকৃত দুই প্ৰকাৰৰ আছিল।শুদ্ধ জাতি গান উৎপত্তি হৈছিল ষড়জ আৰু মধ্যম গ্ৰাম নামৰ সপ্তকৰ পৰা। ইয়াৰ পিচৰ পৰাই মিশ্ৰ ৰাগৰ সৃষ্টি হয়।

বহুতো আৰ্য অনাৰ্যৰ সংমিশ্ৰণত বহুতো ৰাগৰ উৎপত্তি হয় খ্ৰীষ্টিয় তৃতীয়- পঞ্চম শতিকাৰ পৰা।

নাট্য শাস্ত্ৰ অনুসৰি সংগীতৰ মুল আধ্যৰ হ'ল নাদ। শুনিবলৈ শুৱলা সংগীতোপযোগী ধ্বনিয়েই হৈছে নাদ। নাদ দুই প্ৰকাৰৰঃ-১) আহত নাদঃ যি নাদ কোনো বস্তুৰ সংঘৰ্ষৰ পৰা উৎপন্ন হয়।

২) অনাহত নাদঃ যি নাদ সংঘৰ্ষৰ অবিহনে উৎপন্ন হয়।

আহত নাদেই সংগীতত অন্তৰ্নিহিত

ইয়াৰোপৰি মতঙ্গ মুনিৰদ্বাৰা লিখিত 'বৃহদেশী' গ্ৰন্থত বৰ্ণৰ চাৰিটা প্ৰকাৰ অৰ্থাৎ স্থায়ী, অন্তৰা, সংচাৰী আৰু আভোগৰ কথা উল্লেখ পোৱা যায়। ৰাগৰ দহটি লক্ষণৰ কথাও উল্লেখ কৰাৰ লগতে গীতক সাতটা ভাগত ভাগ কৰি দেখাইছে-

শুদ্ধা, বিন্নকা, গৌড়িকা, ৰাগ, সাধাৰনী, ভাষা আৰু বিভাষা।

**২) মধ্যকালীন যুগঃ-** (১১০০ খ্ৰীঃ-১৮০০খ্ৰীঃ)

মধ্যকালীন সময়ৰ পৰাই ভাৰতীয় সংগীতৰ ক্ষেত্ৰ খনত যথেষ্ট পৰিবৰ্তন আহি পৰে। এই যুগত ভাৰতীয় সংগীতৰ লগত অন্যান্য বিদেশী সংগীতৰ মিলন হয় মুচলমানৰ ৰাজত্বৰ প্ৰভাৱত বিভিন্ন গায়ন শৈলীৰ সৃষ্টি হয়।

১২১১ শতিকাত দিল্লীৰ বাদশ্বাহ ইলতুমিছ্ব দিনত পোনপ্ৰথম ৰাজদৰবাৰত সংগীতৰ অনুপ্ৰবেশ ঘটে। খিলজী বাদশ্বাহ আল্লাউদ্দিনৰ ৰাজসভাত তথা ৰাজত্ব কালতেই সংগীতৰ যথেষ্ট উন্নত ঘটে। তেওঁৰ দৰবাৰতেই অমীৰ খুশৰুৰ আগমন হয়।যাৰ আগমনে হিন্দুস্থানী সংগীতৰ সৈতে পাৰ্চী, আৰবী শব্দ, সুৰ,ভাবৰ আমদানি ঘটাইছিল।ইয়াৰোপৰি খিলজীৰ দৰবাৰতেই বৈজু নাথে প্ৰবন্ধ গানৰ পৰাই ধ্ৰুপদ সৃষ্টি কৰিছিল।

মধ্যকালীন যুগত বিশেষকৈ ভাৰতীয় সংগীত সাহিত্যত অমূল্য গ্ৰন্থৰ বৰঙণিয়ে বিশ্বৰ ভিতৰতেই প্ৰথম স্থান অধিকাৰ কৰাত সক্ষম হৈছে তাৰ ভিতৰত কিছুমান গ্ৰন্থ যেনেঃ-

১) **গীত গোবিন্দ**-যাৰ ৰচনা আছিল ৰাজসভাৰ কবি জয়দেৱৰ।এইখনি এখন গীত কাব্য হিচাপে জনা যায়।এই গীতি কাব্য বিলাকৰ প্ৰত্যেকেই ৰাগ আৰু তালত গোৱা হৈছিল মুঠতে তেওঁৰ গীত বিলাক ১২ টা ৰাগ আৰু পাঁচটা তাল যেনে-ৰূপক, যতি,এক তাল, নিঃসাৰ আৰু অষ্টতালত গাইছিল।

২)**সংগীত ৰত্নাকৰঃ** এই গ্ৰন্থৰ ৰচক শাৰঙ্গ দেৱ। ইয়াত তেওঁ গীত, বাদ্য আৰু নৃত্যৰ বিস্তাৰ ভাৱে আলোচনা কৰিছে।

ইয়াৰোপৰি এই গ্ৰন্থত ৰাগৰ উৎপত্তি, শ্ৰুতি-স্বৰৰ বিভাজন, ৭ টা স্বৰ আৰু১১ টা বিকৃতস্বৰৰ ৰচনা পদ্ধতি সম্পৰ্কে জনা যায়।তেওঁ এই গ্ৰন্থত ক্ৰমে স্বৰাধ্যায়, ৰাগাধ্যায়, প্ৰকীৰ্ণাধ্যায়, বাদ্যাধ্যায়,তালাধ্যায় আদি অধ্যায় পোৱা যায়।

১৪৫৬-১৪৯৯ শতিকাত জোনপুৰত হুচেইন শাৰ্কী চুলতানৰ দিনতেই সাধাৰণ খেয়াল, ধ্ৰুপদৰ পৰৱৰ্তী ৰূপৰ জন্ম হয়। তেৱেঁই বড়া খ্যালৰ সৃষ্টি কৰিছিল । এওঁৰ দিনতেই পাৰ্চী আৰু ভাৰতীয় সংগীতৰ সম্পৰ্ক হয়। ঠুমৰী, গজল, ভজন, কীৰ্তনো তেওঁৰ দিনতে উৎপত্তি হৈছিল । সেয়ে মধ্যযুগটোক সংগীতৰ 'স্বৰ্ণ যুগ' বুলি অভিহিত কৰিছে।

ইয়াৰোপৰি গোপাল নায়ক আৰু ৰাজা মানসিং তোমৰৰ কথা পোৱা যায়।

গোপাল নায়ক এজন সংগীতৰ মহান পণ্ডিত আছিল। তেওঁ ছন্দ, ধ্ৰুৱ-গীত, প্ৰবন্ধ তথা তালৰো পণ্ডিত আছিল। মাৰ্গীয়, দেশী আৰু ধ্ৰুৱগীতি তেওঁৰেই সৃষ্টি বুলি জনা হয়।

আনহাতে মানসিং তোমৰ এজন সংগীত প্ৰেমী ৰজা আছিল। তেওঁ 'মান-কৌতুহল' নামৰ সংগীত গ্ৰন্থ ৰচনা কৰি উলিয়াইছিল। তেওঁৰ দিনতে ধ্ৰুপদ গায়নৰ প্ৰচলন বেছি বৃদ্ধি পায়।

**সংগীত সম্ৰাট তানসেনঃ**

তানসেন সম্ৰাট আকবৰৰ ৰাজসভাৰ এজন বিখ্যাত গায়ক আছিল । আকবৰৰ সময়ৰ হাজাৰ বছৰৰ পিছতো তানসেনৰ সমকক্ষ গায়কৰ ভাৰতত জন্ম গ্ৰহণ কৰা নাছিল । তেওঁ কেইবাটাও ৰাগ যেনে - মিয়াকী তোড়ী, মিয়াকী সাৰংগ, মিয়া মল্লাৰ, দৰবাড়ী কানহাৰা আদি । তেওঁৰ দিনতেই ধ্ৰুপদৰ স্থান উচ্চ স্তৰলৈ ধাৱমান হয়। ।

তানসেন সেনী ঘাৰণাৰ অধিপতি আছিল। যাৰদ্বাৰা বৰ্তমানো তেওঁৰ গায়ন শৈলী ৰক্ষণাবেক্ষণ হৈ আছে। 'ৰবাব' বাদ্যটিৰ অনুকৰণতেই তেওঁ 'ৰুদ্ৰবীণা' নামৰ বাদ্য সৃষ্টি কৰা বুলি উল্লেখ পোৱা যায় ।

তানসেন 'ৰাগ মালা' আৰু 'সংগীত সাৰ' নামে দুখন সংগীত গ্ৰন্থ ৰচনা কৰিছিল। সম্ৰাট আকবৰে তেওঁৰ পূৰ্বৰ 'তনা মিশ্ৰ' নামৰ ঠাইত তানসেন নাম দিয়ে।

ভাৰতীয় সংগীতৰ ইতিহাসত তানসেনৰ অৱদান অতুলনীয়।

**পণ্ডিত ব্যংকটমুখী ঃ**

ব্যংকটমুখী এজন সু-প্ৰসিদ্ধ সংগীতকাৰ আছিল। তেওঁ লিখা 'চৰ্তুদণ্ডী প্ৰকাশিকা' নামৰ গ্ৰন্থখনি দক্ষিণ ভাৰতীয় সংগীত পদ্ধতিৰ এখন উল্লেখযোগ্য গ্ৰন্থ।

উক্ত গ্ৰন্থখনিত তেওঁ শ্ৰুতি-স্বৰৰ সমস্যা, বীণাৰ তাঁৰৰ দীৰ্ঘ, স্বৰ, মেল ৰাগ আদিৰ বিষয়ে জানিব পাৰি। এই গ্ৰন্থত ৭২ টা মেলৰ ঠাইত বৰ্তমান ১৯টা মেলৰ প্ৰচলনৰ বিস্তাৰ আলোচনা কৰা হৈছে।

মধ্যকালীন যুগৰ আন এজন পণ্ডিত যিজন উত্তৰ আৰু দক্ষিণ ভাৰতীয় দুয়োটা সংগীত পদ্ধতিৰে সুদক্ষ সংগীতজ্ঞ হিচাপে জনা যায় তেখেত হ'ল পণ্ডিত আহোবল ।

'সংগীত পাৰিজাত' নামৰ এখনি মহান গ্ৰন্থৰ জৰিয়তে তেখেতে শ্ৰুতি-স্বৰ বিভাজন, শুদ্ধ-বিকৃত স্বৰ, গ্ৰহ, অংশ, ন্যাস আদিৰ বিবৰণ ডাঙি ধৰিছে।

এইদৰে বহুতো পণ্ডিত সঙ্গীতজ্ঞই সংগীতৰ মূল্যবান পুস্তক ৰচনাৰ জড়িয়তে মধ্যকালিন যুগৰপৰাই সংগীতৰ দিশটোক উচ্চ স্থানলৈ আগুৱাই নিয়াত যথেষ্ট বৰঙণি আগবঢ়াই গৈছে।

৩। **আধুনিক যুগ ঃ**

১৮ শ শতিকাত ভাৰতলৈ বৃটিছৰ আগমনৰ লগে লগে পৰম্পৰা সমৃদ্ধ ভাৰতীয় সংগীতৰ অধঃপতন হ'ব ধৰে। ইয়াৰ মূলতঃ কাৰণ হ'ল যুদ্ধ-বিগ্ৰহ, অশান্তি, সামাজিক , ৰাজনৈতিক অনিশ্চয়তা । সেই সময়ত সংগীত শিক্ষাৰ অনুশীলন সমাজৰ বাবে অপ্ৰয়োজনীয় কৰি তুলিলে। ভাৰতীয় সংস্কৃতিৰ এনে অন্ধকাৰচ্ছন্নময় অৱস্থাতে কেইবাজনো সংগীতপ্ৰেমীয়ে তেওঁলোকৰ নিজস্ব প্ৰতিভাৰে ভাৰতীয় সংগীতৰ ঐতিহাসিক পৰম্পৰা লুপ্ত হোৱাৰ পৰা ৰক্ষা কৰে। জয়পুৰৰ ৰজা প্ৰতাপ সিংহই ১৭৯০ চনত বিখ্যাত পণ্ডিত তথা সঙ্গীতজ্ঞ সকলৰ মতামত অনুযায়ী 'সংগীতসাৰ' নামৰ মূল্যবান গ্ৰন্থখনি ৰচনা কৰি উলিয়ায়। এই গ্ৰন্থতে পোন প্ৰথমে কাফী ঠাটৰ পৰিবৰ্তে বিলাবল ঠাটক শুদ্ধ ঠাট বুলি মানি লয়।

ইয়াৰ পাছতেই ১৮৪২ খ্ৰীঃত কৃষ্ণানন্দ ব্যাসে 'সংগীত কল্পদ্ৰুম' নামৰ গ্ৰন্থ লিখে য'ত কেৱল বিলাবলকেই শুদ্ধ ঠাট মনা হৈছে।

১৮৭২-১৯৩১ খ্ৰীষ্টাব্দত বিষ্ণু দিগম্বৰ পলুস্কৰ সুপ্ৰসিদ্ধ গায়ক আৰু সংগীত বিশেষজ্ঞ হৈ পৰে। দেশৰ বিভিন্ন স্থান পৰিভ্ৰমণেৰে সংগীতৰ প্ৰচাৰ কৰি সংগীত সন্মিলন আদিৰে সংগীতৰ প্ৰসাৰতা বৃদ্ধি কৰে । সংগীত শিক্ষা সহজসাধ্য হ'বলৈ তেওঁ নতুন স্বৰলিপি পদ্ধতিৰো তৈয়াৰ কৰে। ইয়াৰোপৰি সংগীতৰ দিশত তেওঁৰ বহুতো অৱদান আছে।

১৮৬০-১৯৩৬ খ্ৰীঃ এইখিনি সময় পণ্ডিত বিষ্ণু নাৰায়ণ ভাতখাণ্ডেজীৰ । তাতেই সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰি গুণী-জ্ঞানী, বিদ্বান সংগীতজ্ঞৰ পৰা অজস্ৰ ৰাগ শিকি, ৰাগৰ স্বৰলিপি কৰি 'ক্ৰমিক পুস্তক মালিকা' ছয় খণ্ডত লিপিবদ্ধ কৰে । ইয়াৰোপৰি স্বৰ- মালিকা, অভিনৱ ৰাগ মঞ্জুৰী, লক্ষ্য সংগীত, হিন্দুস্থানী সংগীত আদি উল্লেখনীয় গ্ৰন্থ আৰু পাঠ্যক্ৰমৰ প্ৰয়োজনীয় ৰাগৰ ওপৰত 'বন্দিশ' একেৰাহে ৬ টা খণ্ডত পোৱা যায়। ভাতখাণ্ডেজীয়ে সম্পূৰ্ণ এটা ধাৰা সৃষ্টি কৰি ১০ টা ঠাটৰ ওপৰত 'উত্তৰ ভাৰতীয়' বা হিন্দু স্থানী সংগীত পদ্ধতিৰ নামকৰণ কৰে আৰু প্ৰচলন কৰে।

বৰ্তমান ভাতখাণ্ডেজীৰ ১০ ঠাটৰ ভিত্তিত হিন্দুস্থানী সংগীতৰ ৰাগসমূহৰ বৰ্গীকৰণ কৰা হয়। তেওঁ লিখি যোৱা তথা সৃষ্টি কৰি যোৱা ঠাট আৰু স্বৰলিপি পদ্ধতিয়ে বৰ্তমান দেশৰ সৰহ সংখ্যক সংগীত

শিক্ষানুষ্ঠানতেই প্ৰবৰ্তিত। তেওঁৰ অশেষ কষ্ট আৰু চেষ্টাৰ ফলতেই বৰ্তমানৰ লক্ষ্ণৌ ভাতখণ্ডে বিদ্যাপীঠ স্থাপিত হয়। যাক পূৰ্বতে মৰিছ কলেজ অব হিন্দুস্থানী মিউজিক নামে জনা গৈছিল।

২২ টা শ্ৰুতিত স্বৰ স্থপনা কৰা, উত্তৰী সংগীত পদ্ধতিত ৩২ টা ঠাট বা মেল মধ্য মাত্ৰ দহটা বাছি লৈ সমস্ত ৰাগৰ বৰ্গীকৰণ কৰা, ৰাগ ৰাগিনীৰ পৰিবৰ্তে ঠাটৰ ভিত্তিত ৰাগৰ বিভাজন আদিবোৰ আধুনিক কালৰে বৈশিষ্ট্য।

বৰ্তমান সময়ছোৱা সংগীতৰ প্ৰচাৰ প্ৰসাৰ তথা যথেষ্ট উন্নতিৰ সময়। ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বিভিন্ন সংগীত গ্ৰন্থ, সংগীতানুষ্ঠান আদিৰ অৰিহনাৰ লগতে ইলেক্ট্ৰনিক মিডিয়া, আকাশবাণী, দূৰদৰ্শন,অডিঅ, ভিডিঅ কেছেট,কম্পিউটাৰ, ইন্টাৰনেট আদিৰ এক উল্লেখযোগ্য বৰঙনি দেখা যায়। যাৰ বাবে নিজৰ দেশৰ উপৰি বিদেশতো ভাৰতীয় সংগীতৰ শিক্ষানুষ্ঠান গঢ় লৈ উঠিছে।এইক্ষেত্ৰত চৰকাৰৰ অৱদানো অতুলনীয়। ইয়াৰোপৰি বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ জৰিয়তে সংগীতৰ ওপৰত বি.মিউজ(B.Mus),এম. মিউজ(M.Mus) আদি ডিগ্ৰী প্ৰদান কৰে । যাৰ জৰিয়তে ভাৰতীয় সংগীতৰ আহি উচ্চৰপৰা উচ্চ শিখৰত উপনীত হোৱাৰ সক্ষম হৈছে।

গীত,বাদ্য আৰু নৃত্য এই তিনিও কলাৰে পাৰস্পৰিক সমন্বয়তেই সংগীতৰ সৃষ্টি হয়। এই সংগীতক আমি মাৰ্গীয় সংগীত আৰু দেশীয় সংগীত এই দুটা ভাগত পাওঁ।

মাৰ্গীয় সংগীত বুলি কওঁতে মাৰ্গ অৰ্থাৎ পথৰ কথা বুজা হয়। অৰ্থাৎ মোক্ষ প্ৰাপ্তিৰ গীত যিবিলাক সংগীত 'মাৰ্গ' দৰ্শন অথবা ঈশ্বৰ উপাসনা কৰাত গোৱা হৈছিল তাকে কোৱা হয় মাৰ্গীয় সংগীত।

আনহাতে , যিবোৰ সংগীত জনসাধাৰণৰ মনোৰঞ্জনৰ হেতু পৰিস্থিতিৰ লগত খাপ খুৱাই গোৱা হয় সেইবোৰ দেশীয় সংগীত।

বৰ্তমান ভাৰতবৰ্ষত দেশীয় সংগীতৰ প্ৰচলনহে দেখা যায়। মাৰ্গীয় সংগীতৰ প্ৰচলন নাই।

আমি যিহেতু সংগীতৰ দুটা মুখ্য পদ্ধতি পাওঁ। এটা হ'ল ১০ টা ঠাটৰ দ্বাৰা প্ৰচলিত উত্তৰ ভাৰতীয় সংগীত পদ্ধতি আৰু আনটো হ'ল ৭২ টা ঠাট বা মেলৰ দ্বাৰা প্ৰচলিত দক্ষিণ ভাৰতীয় সংগীত পদ্ধতি। এই দুয়োটা পদ্ধতিৰে মাজত যথেষ্ট সমানতা আৰু ভিন্নতা আছে।

সমানতা তথা সাদৃশ্যতা সমহ হ'লঃ-

১) দুয়োটা পদ্ধতিৰে উৎস একে। প্ৰাচীন ভাৰতীয় সংগীতৰ আৰম্ভতে সংগীতৰ ধাৰা এটাই আছিল।

২) দুয়োটা পদ্ধতিতে শ্ৰুতিৰ অৱস্থিতি মানি লোৱা দেখা যায়। (২২ টা শ্ৰুতি ১ টা সপ্তকত)

৩) দুয়োটা পদ্ধতিতে শুদ্ধ আৰু বিকৃত মিলাই ১২ টা স্বৰ পোৱা যায়।

৪) দুয়োটা পদ্ধতিতে ঠাটৰ সৃষ্টিও ১২টা স্বৰৰ ভিত্তিতে হৈছে।

৫) দুয়োটা পদ্ধতিতে ঠাটৰ সহায়ত ৰাগ বিভাজন কৰা হয়।

৬) দুয়োটা পদ্ধতিতে বিভিন্ন ধৰণৰ আলাপ আৰু তান কৰিব পৰা যায়।

৭) দুয়োটা পদ্ধতিয়েই তাল আৰু লয়ৰ প্ৰাধান্য মানি চলে।

৮) দুয়োটা পদ্ধতিয়েই আশ্ৰয় ৰাগৰ পৰা জন্য ৰাগ উৎপত্তিৰ সিদ্ধান্ত মানি চলে।

৯) দুয়োটা পদ্ধতিতে বিভিন্ন গায়ন শৈলীৰ প্ৰচলন আছেঃ যেনেঃ খ্যাল, ধ্ৰুপদ, ধামাৰ(উত্তৰ পদ্ধতিত), তিল্লানা, জাবলী(দক্ষিণীয়া পদ্ধতিত)

**ভিন্নতা সমূহ হ'লঃ-**

১) দুয়োটা পদ্ধতিত ১২ টা স্বৰ মানি লয় যদিও স্বৰৰ নাম আৰু স্থানৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়।

২) উত্তৰ ভাৰতীয় পদ্ধতিত ৩২ টা ঠাটৰ ১০টা ঠাট হে ৰাগ বিভাজনত প্ৰচলিত হয়। দক্ষিণ ভাৰতীয় পদ্ধতিত ৭২ টা ঠাটৰ ১৯ ঠাটহে ৰাগ বিভাজনত ব্যৱহৃত হয়।

৩) উত্তৰ ভাৰতীয় পদ্ধতিত মিশ্ৰ ৰাগৰ থল আছে। দক্ষিণ ভাৰতীয় পদ্ধতিত নাই।

৪) উত্তৰ ভাৰতীয় পদ্ধতিৰ গায়ন শৈলীত স্থিৰতা আছে আনহাতে দক্ষিণ ভাৰতৰ গায়নত স্থিৰতা নাই বিভিন্ন গমক তথা কম্পন দেখা যায়।

৫) উত্তৰ ভাৰতীয় সংগীতত গায়ন কালত মৃদংগৰ লগত হাত তালি দি গোৱা প্ৰথা নাই। দক্ষিণ ভাৰতত এনে প্ৰথা আছে।

৬) তালৰ ক্ষেত্ৰত উত্তৰ ভাৰতীয় সংগীতত তবলা, পখাবাজ ব্যৱহাৰ কৰা হয় দক্ষিণ পদ্ধতিত মৃদঙ্গৰ দ্বাৰা সংগত কৰা হয়।

এইদৰে বহু সাদৃশ্যতা আৰু ভিন্নতাৰ মাজতো ভাৰতীয় সংগীতৰ এই দুই ধাৰা সুন্দৰ ৰূপত বৰ্তি আছে অতীতৰ পৰা বৰ্তমান পৰ্যন্ত চলি থকা ভাৰতীয় সংগীত পদ্ধতিৰ আলোচনা কৰি শেষ কৰা সম্ভৱ নহয় কাৰণ এইটো এটা বিস্তৃত বিষয়। তথাপিও ভাৰতীয় সংগীতৰ ইতিহাসৰ মাধ্যমেদি সংগীতৰ এই বিশাল ধাৰাক বুজাত যথেষ্ট সুবিধা হয়।

## ২) পণ্ডিত ব্যংকটমুখীৰ ৭২ টা ঠাট বা মেল আৰু পণ্ডিত বিষ্ণু নাৰায়ন ভাতখাণ্ডেৰ ১০ টা ঠাট ৰাগ পদ্ধতি সম্পৰ্কে আলোচনাঃ

## ক)পণ্ডিত ব্যংকটমুখীৰ ৭২ টা ঠাট বা মেল ৰচনাৰ পদ্ধতিঃ-

ভাৰতীয় সংগীতৰ আদিম অৱস্থাৰে পৰা বৰ্তমানলৈকে বহু ক্ষেত্ৰতেই পৰিবৰ্তন আহি পৰিছে। সময়ৰ লগে লগে মানৱ জাতিৰ লগতে সমাজৰ সকলো ক্ষেত্ৰতেই পৰিবৰ্তন আহি পৰিছে ইয়াৰ লগে লগে মানুহৰ চিন্তা-চৰ্চাতো যথেষ্ট পৰিবৰ্তন আহি পৰিছে।পৰিবৰ্তন তথা গতিশীল এই সমাজ খনৰ প্ৰতিটো পৰিবৰ্তনৰ লগত ভাৰতীয় সংগীতৰ বিশাল দিশটোতো যথেষ্ট পৰিবৰ্তন আহি পৰিছে।

প্ৰচীন বেদ কালীন সময়ৰ পৰা আহি আধুনিক স্তৰত উপনীত হোৱা সংস্কৃতিৰ জগতখনত বহুতো নীতি তথা বহুতো নতুন বস্তু সামৰি লোৱাৰ লগতে পুৰণি কিছু পদ্ধতি ত্যাগ কৰাও হৈছে।পূৰ্বতে তিনিটা স্তৰৰ ভিত্তিৰ গোৱা বেদৰ শ্লোকৰ পাছত মধ্যযুগত পূৰ্বৰ মেল পদ্ধতিৰে ৰাগ-ৰাগিনি পৰিবেশন কৰা হৈছিল। ক্ৰমান্বয়ে মেল পদ্ধতিৰ ওপৰত বিভিন্ন মতভেদ হৈ ইয়াৰ সমাপ্তি ঘটে আৰু আধুনিক ঠাট পদ্ধতিক সহজ কৰি “ৰাগিনী” শব্দৰ ত্যাগ কৰি 'ৰাগ' শব্দক ব্যৱহাৰ কৰা হয়।

১৬২০-১৬৫০ বিংশ শতিকাত পণ্ডিত ব্যংকটমুখীয়ে 'চতুদণ্ডি প্ৰকাশিকা' নামৰ গ্ৰন্থখনিৰ জৰিয়তে মেল পদ্ধতিৰ পুনৰ আবিস্কাৰ কৰে। গণিতৰ সহায়েৰে পণ্ডিত ব্যংকটমুখীয়ে ৭২
টা মেল বা ঠাট উদ্ভাৱনৰ কথা উল্লেখ কৰিছে।

পণ্ডিত ব্যংকটমুখী আছিল দাক্ষিনাত্যৰ লোক ।গতিকে তেওঁত সংগীতৰ পদ্ধতি আছিল দক্ষিণ ভাৰতীয় অৰ্থাৎ কৰ্ণাটকী সংগীত পদ্ধতি ।এই দুই সংগীতৰ পদ্ধতি অৰ্থাৎ হিন্দুস্তানী সংগীত পদ্ধতি আৰু কৰ্ণাটকীয় সংগীত পদ্ধতিৰ পাৰ্থক্য আছে।

| হিন্দুস্তানী সংগীত(পঃ ভাতখাণ্ডে) | কৰ্ণাটকী সংগীত(পঃ ব্যাংকট মুখীৰ) |
| --- | --- |

| | | |
|---|---|---|
| ১) | সা | সা |
| ২) | রে (কোমল) | রে (শুদ্ধ) |
| ৩) | শুদ্ধ রে | পঞ্চশ্ৰুতি ৰে অথবা শুদ্ধ গা |
| ৪) | কোমল গা | ষটশ্ৰুতি ৰে অথবা সাধাৰণ গা |
| ৫) | শুদ্ধ গা | গা (অন্তৰ) |
| ৬) | শুদ্ধ মা | শুদ্ধ মা |
| ৭) | তীব্ৰ (মা) | মা(প্ৰতি) বা মা বেৰালী |
| ৮) | পা | পা |
| ৯) | কোমল(ধা) | শুদ্ধ ধা |
| ১০) | শুদ্ধ (ধা) | পঞ্চশ্ৰুতি ধা অথবা শুদ্ধ নি |
| ১১) | কোমল (নি) | ষটশ্ৰুতি ধা অথবা কৌশিক নি |
| ১২) | শুদ্ধ নি | কাকলি নি |

৭২ টা ঠাট বা মেল সৃষ্টি কৰোতে ঠাটৰ বিভিন্ন লক্ষণৰ উপৰিও ব্যংকটমুখীয়ে ব্যৱহাৰ কৰা স্বৰ সমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব।এইক্ষেত্ৰত কেইটামান নিয়ম দেখা যায়ঃ-

১) য'ত শুদ্ধ 'ৰে' থাকে তাত পঞ্চশ্ৰুতি 'ৰে' নাথাকে। এনেস্থলত পঞ্চশ্ৰুতি 'ৰে' ক শুদ্ধ 'গা'আখ্যা দিয়া হৈছে।

২) যত শুদ্ধ আৰু পঞ্চশ্ৰুতি 'ৰে' থাকে তাত যতশ্ৰুতি 'ৰে' নাথাকে যত ষতশ্ৰুতি 'ৰে' থাকে তাত শুদ্ধ আৰু পঞ্চশ্ৰুতি 'ৰে' নাথাকে।

৩) অন্তৰ 'গা' ৰ পাছত শুদ্ধ 'গা' অথবা সাধাৰণ 'গা' থাকিব নোৱাৰে।ঠিক একেদৰেই শুদ্ধ আৰু সাধাৰণ 'গা' য'ত থাকে তাত অন্তৰ 'গা'ৰ স্থান নাই।অন্তৰ 'গা' ৰ লগত শুদ্ধ বা সাধাৰণ 'গা' থাকিলে সিহতক ক্ৰমে পঞ্চশ্ৰুতি আৰু ষটশ্ৰুতি 'ৰে' বোলা হয়।

৪) শুদ্ধ 'ধা' ৰ লগত পঞ্চশ্ৰুতি 'ধা' নাথাকে আৰু পঞ্চশ্ৰুতি 'ধা' ৰ লগত শুদ্ধ 'ধা' নাথাকে। শুদ্ধ ৰ লগত পঞ্চশ্ৰুতি 'ধা' থাকিলে তাক শুদ্ধ 'নি' বুলি ধৰা হয়। ঠিক একেদৰে শুদ্ধ বা পঞ্চশ্ৰুতি 'ধা' ৰ লগত যতশ্ৰুতি 'ধা' থাকিব নোৱাৰে।এনে অৱস্থাত ষটশ্ৰুতি 'ধা' ক কৌশিক 'নি' আখ্যা দিয়া হয়।

৫) 'নি' স্বৰৰ ক্ষেত্ৰতো কাকলি 'নি' ৰ লগত শুদ্ধ 'ধা' আৰু পঞ্চশ্ৰুতি 'ধা' ৰ লগত ষটশ্ৰুতি 'ধা'

মুঠতে ঠাটত একেটা স্বৰ দুটা ৰূপত ব্যৱহাৰ কৰিব নোৱাৰি।

এটা সপ্তকত শুদ্ধ আৰু বিকৃত মিলাই মুঠ ১২ টা স্বৰ পোৱা যায়।শুদ্ধ স্বৰ- সা, ৰে, গা, মা, ধা, নি, সা

বিকৃত স্বৰ- ৰে, গা, ধা,নি, (কোমল, মা(তীব্ৰ)

ঠাট সৃষ্টি কৰোতে এই বাৰটা স্বৰৰপৰা প্ৰতিবাৰেই সাতটা স্বৰ সজাব লাগিব।পণ্ডিত বংকটমুখীয়ে প্ৰমান কৰি দেখুৱাইছে যে এনে সপ্তস্বৰ যুক্ত ঠাট বা মেল ওপৰোক্ত বাৰটা স্বৰৰ পৰা ৭২ টাহে সৃষ্টি কৰিব পৰা যায়।

ঠাট বা মেল ৰচনাৰ বিধি অনুযায়ী ১২টা স্বৰৰ পৰা তীব্ৰ (মা) স্বৰটো বাদ দি তাৰ ঠাইত তাৰ সপ্তকৰ 'সা' স্বৰটো যোগ দিব লাগিব। তেতিয়া স্বৰ সমূহ এনে হ'ব-

সা,ৰে, ৰে, গা, গা, মা, পা, ধা, ধা, নি ,নি , সা

এই ১২ টা স্বৰৰ সমষ্টিক প্ৰথমাৰ্দ্ধ যাক পূৰ্বাদ্ধ বুলি ক'ব পাৰি আৰু দ্বিতীয়াৰ্ধ যাক উত্তৰাদ্ধ বুলি ক'ব পাৰি। এই দুটা ভাগত পোৱা যায়----

পূৰ্বাদ্ধ(প্ৰথমাৰ্দ্ধ)    উত্তৰাদ্ধ(দ্বিতীয়াৰ্ধ)

সা, ৰে, গা, মা    পা,ধি, নি, সা

তাৰ সপ্তকৰ সাঁ স্বৰৰ সংযোগে প্ৰত্যেক সপ্তকতে ৪ টাকৈ স্বৰ ভাগ কৰালে। ভাৰতীয় সংগীতত যদিও সপ্তকৰ অৰ্থ 'সাত' টা স্বৰৰ সমষ্টি ঠাট ৰচনাৰ সময়ত পূৰ্বাদ্ধ আৰু উত্তৰাৰ্দ্ধ ৪+৪=৮ টা স্বৰ হোৱা অনিবাৰ্য্য। কিন্তু সপ্তকৰ শেষৰ সাঁ স্বৰক সপ্তকৰ স্বৰৰ ভিতৰত ধৰা নহয়। প্ৰথমৰ্দ্ধৰ পৰা ১২ টা স্বৰ(শুদ্ধ বিকৃত মিলাই) ৰ পৰা মেল সৃষ্টিৰ নিয়মঃ-

| | সপ্তকৰ পূৰ্বাদ্ধ | | সপ্তকৰ উত্তৰাদ্ধ |
|---|---|---|---|
| ১) | সা ৰে ৰে মা | ১) | পা ধা ধা সা |
| ২) | সা ৰে গা মা | ২) | পা ধা নি সা |
| ৩) | সা ৰে গা মা | ৩) | পা ধা নি সা |
| ৪) | সা ৰে গা মা | ৪) | পা ধা নি সা |
| ৫) | সা ৰে গা মা | ৫) | পা ধা নি সা |
| ৬) | সা গা গা মা | ৬) | পা নি নি সা |

ওপৰোক্ত স্বৰক্ৰমৰ বিষয়ে চালে আমি দেখা পাওঁ 'সা' ৰ পাছত 'ৰে', 'ৰে' ৰ পাছত 'গা' এনেদৰে হ'ব লাগিছিল। কিন্তু ওপৰোক্ত স্বৰ সমষ্টি তেনে ক্ৰমত যোৱা নাই কাৰণ ব্যংকটমুখীৰ স্বৰ অনুসৰি এই স্বৰ সমষ্টিৰ স্বৰ সমূহ ঠাটৰ নিয়ম অনুসৰি ক্ৰমানুসাৰে হ'ল।

উল্লেখিত স্বৰ ক্ৰমানুসাৰত স্বৰ সমষ্টিৰ কোনো স্বৰেই বা স্বৰৰ কোনো সমষ্টিয়েই ঠাট বা মেল পদ্ধতিৰ কোনো নিয়মৰে ব্যতিক্ৰম নহয়। ঠাট বা মেলৰ সৃষ্টিত প্ৰথমাৰ্দ্ধৰ প্ৰতিটো স্বৰ সমষ্টিৰ সৈতে দ্বিতীয়াৰ্ধৰ স্বৰ সমষ্টি লগ লাগিব। এইদৰে ৬x৬=৩৬ টা মুঠতে স্বৰ সমষ্টি লাভ কৰিব পৰা যায়। য'ত শুদ্ধ 'মা' ব্যৱহৃত হৈছে।

(১)

| | পূৰ্বাধ মেল | | উত্তৰাদ্ধ মেল | |
|---|---|---|---|---|
| (১) | সা ৰে গা মা | (১) | পা ধা ধা সা | (১+১) |
| (২) | সা ৰে গা মা | (২) | পা ধা নি সা | (১+২) |
| (৩) | সা ৰে গা মা | (৩) | পা ধা নি সা | (১+৩) |
| (৪) | সা ৰে গা মা | (৪) | পা ধা নি সা | (১+৪) |
| (৫) | সা ৰে গা মা | (৫) | পা ধা নি সা | (১+৫) |
| (৬) | সা ৰে গা মা | (৬) | পা নি নি সা | (১+৬) |

(২)

| | | | |
|---|---|---|---|
| (১) | সা ৰে গা মা | (১) | পা ধা ধা সা |
| (২) | সা ৰে গা মা | (২) | পা ধা নি সা |
| (৩) | সা ৰে গা মা | (৩) | পা ধা নি সা |
| (৪) | সা ৰে গা মা | (৪) | পা ধা নি সা |

(৫) সা ৰে গা মা (৫) পা ধা নি সা

(৬) সা ৰে গা মা (৬) পা নি নি সা

(৩)

(১) সা ৰে গা মা (১) পা ধা ধা সা

(২) সা ৰে গা মা (২) পা ধা নি সা

(৩) সা ৰে গা মা (৩) পা ধা নি সা

(৪) সা ৰে গা মা (৪) পা ধা নি সা

(৫) সা ৰে গা মা (৫) পা ধা নি সা

(৬) সা ৰে গা মা (৬) পা নি নি সা

(৪)

(১) সা ৰে গা মা (১) পা ধা ধা সা

(২) সা ৰে গা মা (২) পা ধা নি সা

(৩) সা ৰে গা মা (৩) পা ধা নি সা

(৪) সা ৰে গা মা (৪) পা ধা নি সা

(৫) সা ৰে গা মা (৫) পা ধা নি সা

(৬) সা ৰে গা মা (৬) পা নি নি সা

এইদৰেই সা ৰে গা মা (শুদ্ধ স্বৰ) লগাই এটা স্বৰৰ সমষ্টি আৰু গা (কোমল) ব্যৱহাৰ কৰি এইদৰে দুটা স্বৰ সমষ্টি সৃষ্টি কৰে। সৰ্বমুঠ পুৰ্বাধ আৰু উত্তৰাৰ্ধ মিলাই ৩৬ টা স্বৰ সমষ্টি পোৱা যায় এনেদৰে এই ৩৬ টা স্বৰ সমষ্টি যিহেতু কেৱল শুদ্ধ মা ব্যৱহাৰ কৰি পোৱা গৈছে গতিকে তীব্ৰ মা ব্যৱহাৰৰ জৰিয়তে একেদৰেই আৰু ৩৬ টা স্বৰ সমষ্টি লাভ কৰিব পাৰি।

(মা) তীব্ৰ আৰু শুদ্ধ (মা) ৰ সংযোগৰ জৰিয়তে পণ্ডিত ব্যংকমুখীয়ে ৭২ টা ঠাট বা মেল পদ্ধতিৰ ৰচনা কৰে। বৰ্তমান ৭২ টা মেলৰ ১৯ টা মেলৰহে প্ৰচলনৰ কথা উল্লেখ পোৱা যায়। ব্যাংকটমুখীৰ ৭২ টা মেলৰ নাম তলত উল্লেখ কৰা হ'ল -

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ১। | কণকাংবৰী | ১২। | ৰূপৱতী | ২৩। | গৌৰীৱেলাৱলী | ৩৪। | ছায়ানট |
| ২। | ফেনদ্যুতি | ১৩। | হেজুজ্জী | ২৪। | বীৰবসন্ত | ৩৫। | দেশাক্ষী |
| ৩। | সামবৰালী | ১৪। | বসন্ত ভৈৰৱী | ২৫। | শৰাৱতী | ৩৬। | চলনাট |
| ৪। | ভানমতী | ১৫। | মায়ামালগৌল | ২৬। | তৰংগিনী | ৩৭। | সৌগন্ধিনী |
| ৫। | মনোৰঞ্জন | ১৬। | ৱেগবাহিনী | ২৭। | সৌৰসেনা | ৩৮। | জগমোহিনী |
| ৬। | তনুকীৰ্তি | ১৭। | ছায়াৱতী | ২৮। | কেদাৰগৌল | ৩৯। | ৰৱালিকা |
| ৭। | সেনাগ্ৰনী | ১৮। | শুদ্ধমালৱী | ২৯। | শংকৰাভৰণ | ৪০। | নভোমনি |
| ৮। | তোড়ী | ১৯। | ঝংকাৰ ভ্ৰমৰী | ৩০। | নাগভৰণ | ৪১। | কুম্ভিনী |
| ৯। | ভিন্নষড়জ | ২০। | ৰীতিগৌল | ৩১। | কলাৱতী | ৪২। | ৰবিক্ৰিয়া |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ১০। | নভাবৰণ | ২১। | কিৰাণৱলী | ৩২। | চুড়ামনি | ৪৩। | ভীৰ্বাণী |
| ১১। | কোকিল | ২২। | শ্ৰীৰাম | ৩৩। | গংগাতৰংগিনী | ৪৪। | ভৱানী |

| | | | | | |
|---|---|---|---|---|---|
| ৪৫। | শেৰপন্তভৰালী | ৫৬। | চামৰা | ৬৬। | চতুৰংগিনী |
| ৪৬। | স্তৰৰা | | | | |
| ৪৭। | সৌবীৰা | ৫৭। | সমদ্যুতি | ৬৭। | সন্তান-মঞ্জৰী |
| ৪৮। | জীৱন্তিকা | ৫৮। | সিংহৰৱ | ৬৮। | জ্যোতি |
| ৪৯। | ধৱলাংগ | ৫৯। | ধামৱতী | ৬৯। | বৌতপঞ্চম |
| ৫০। | নামদেশী | ৬০। | নিষেধ | ৭০। | নাসামনি |
| ৫১। | ৰামক্ৰিয়া | ৬১। | কুন্তল | ৭১। | কুসুমাকৰ |
| ৫২। | ৰামমনোহৰ | ৬২। | ৰতিপ্ৰিয়া | ৭২। | ৰসমঞ্জৰী |
| ৫৩। | গমকক্ৰিয়া | ৬৩ | গীতিপ্ৰিয়া | | |
| ৫৪। | বংশাৱলী | ৬৪। | ভূষাৱতী | | |
| ৫৫। | শামলা | ৬৫। | শান্তকল্যাণ | | |

উপৰোক্ত ৭২ টা ঠাট বা মেলৰ সকলোখিনি বৰ্তমান প্ৰচলিত নহয় যদিও এই পদ্ধতি এটা ধাৰাত পৰিণত হৈছে। সেয়েহে এই সংগীত পদ্ধতিৰ জৰিয়তে ভাৰতবৰ্ষৰ প্ৰায়বোৰ ঠাইতেই ইয়াৰ প্ৰচলন ব্যাপক ৰূপত বৃদ্ধি পাইছে। পণ্ডিত ব্যংকটমুখীৰ এই বৃহৎ ঠাট পদ্ধতিৰ ৰচনাই ৰাগৰ উৎপত্তিৰ দিশত সহায় কৰে।

পণ্ডিত ব্যংকটমুকীৰ ৭২টা ঠাটৰ প্ৰতিটো ঠাটৰপৰাই ৪৮৪ টা ৰাগৰ উৎপত্তি হোৱা বুলি উল্লেখ পোৱা যায়। এটা ঠাটৰ পৰা ৪৮৪ টা ৰাগৰ উৎপত্তি হ'লে ৭২ টা ঠাটৰ পৰা ৪৮৪ x ৭২ = ৩৪৮৪৮ টা ৰাগ পোৱা যায়। এটা ৰাগত অতি কমেও ৫ টা স্বৰ আৰু ৭ টা স্বৰ থকাৰ অতি প্ৰয়োজন। এটা ৰাগৰ উৎপত্তি হওঁতে ৰাগৰ জাতিৰ কথা আহি পৰে। ৰাগৰ জাতি হ'ল তিনি প্ৰকাৰ - (১) সম্পূৰ্ণ (২) ষাড়ৱ (৩) ঔড়ৱ

(১) **সম্পূৰ্ণ জাতি** ঃ যি ৰাগত আৰোহনত সাতটাকৈ স্বৰ থাকে বা ব্যৱহাৰ হয় তাকে কোৱা হয় সম্পূৰ্ণ জাতি। যেনে - য়মন ৰাগ।

(২) **ষাড়ৱ জাতি** ঃ যি ৰাগত ছটা স্বৰ ব্যৱহাৰ হয় তাকে কোৱা হয় ষাড়ৱ জাতি। যেনে - মাৰৱা ৰাগ।

(৩) **ঔড়ৱ জাতি** ঃ যি ৰাগত মাত্ৰ পাঁচটা স্বৰহে ব্যৱহৃত হয় তাকে কোৱা হয় ঔড়ৱ জাতি।

এই তিনিটা জাতিৰ সংমিশ্ৰণৰ ফলত ৯টা জাতিৰ সৃষ্টি হয় অৰ্থাৎ প্ৰতিটো জাতিৰ লগত আন দুটা জাতি সংমিশ্ৰণ কৰি এটা জাতিতেই পুনৰ তিনিটাকৈ জাতিৰ ৰচনা কৰা হয়। সেই সমূহ হ'ল -

| | | | |
|---|---|---|---|
| ১) সম্পূৰ্ণ জাতিৰ পৰা ঃ- | ক) সম্পূৰ্ণ-সম্পূৰ্ণ | খ) সম্পূৰ্ণ-ষাড়ৱ | গ) সম্পূৰ্ণ-ঔড়ৱ |
| ২) ষাড়ৱ জাতিৰ পৰাঃ- | ক) ষাড়ৱ-ষাড়ৱ | খ) ষাড়ৱ-সম্পূৰ্ণ | গ)ষাড়ৱ ঔড়ৱ |
| ৩) ঔড়ৱ জাতিৰ পৰাঃ- | ক) ঔড়ৱ- সম্পূৰ্ণ | খ) ষাড়ৱ-ষাড়ৱ | গ) ষাড়ৱ-ঔড়ৱ |

১)সম্পূৰ্ণ-সম্পূৰ্ণ জাতি - এই জাতিৰ পৰা কেৱল এটা ৰাগ উৎপন্ন হোৱাহে সম্ভৱ হয়। কাৰণ ইয়াৰ আৰোহন-অৱৰোহনত থকা সাতটা স্বৰৰ কোনো পৰিৱৰ্তন কৰিব নোৱাৰে যাৰ ফলস্বৰূপে এটা জাতিৰ পৰা এটা ৰাগৰ উৎপত্তি

হে সম্ভৱপৰ হৈছে।

২)সম্পূৰ্ণ-যাড়ৱ-এই জাতিৰ পৰা আমি আৰোহনত ৭টা আৰু অৱৰোহনত ৬টা স্বৰ পাওঁ (৭x৬)। সেয়হে এই জাতিৰ ৰাগৰ পৰা আমি সম্পূৰ্ণ ৬ টা ৰাগৰ সৃষ্টি কথা কব পাৰো।ইয়াৰ আৰোহনত সম্পূৰ্ণ ৭ টা স্বৰ আৰু অৱৰোহন ৬ টা স্বৰ সম্পূৰ্ণ বেলেগ ধৰণে প্ৰয়োগ কৰা হৈছে।

উদাহৰণস্বৰূপেঃ-

| | আৰোহন | | | অৱৰোহন |
|---|---|---|---|---|
| ১) | সা ৰে গা মা পা ধা নি | - | ১) | ধা পা মা গা ৰে সা |
| ২) | সা ৰে গা মা পা ধা নি | - | ২) | নি পা মা গা ৰে সা |
| ৩) | সা ৰে গা মা পা ধা নি | - | ৩) | নি ধা মা গা ৰে সা |
| ৪) | সা ৰে গা মা পা ধা নি | - | ৪) | নি ধা পা গা ৰে সা |
| ৫) | সা ৰে গা মা পা ধা নি | - | ৫) | নি ধা পা গা ৰে সা |
| ৬) | সা ৰে গা মা পা ধা নি | - | ৬) | নি ধা পা মা গা সা |

ঠিক এইদৰে এটা জাতিৰ পৰা ৰাগসমূহৰ সৃষ্টি হয়।

৩) **সম্পূৰ্ণ ঔড়ৱ জাতিঃ-** সম্পূৰ্ণ ঔড়ৱ জাতিত আৰোহনত ৭ টা আৰু অৱৰোহনত ৫ টা স্বৰ পোৱা যায়। ইয়াৰ পৰা মুঠ ১৫ টা ৰাগৰ উৎপন্ন হয়।

৪)**ষাড়ৱ-সম্পূৰ্ণ জাতিঃ-** ষাড়ৱ-সম্পূৰ্ণ জাতিৰ অৱৰোহনত ৬ টা স্বৰ উৎপন্ন হয়। ইয়াৰ আৰোহনত ১ টা স্বৰ ত্যাগ কৰা যায় আৰু অৱৰোহনত ৭ টা স্বৰ ব্যৱহৃত হয়।

**৫) ষাড়ৱ-ষাড়ৱ জাতিঃ-** এই জতিৰ ৰাগত আৰোহনত ৬টা অৱৰোহন ৬ টা মুঠ ৬x৬=৩৬ টা স্বৰ পোৱা যায়।এই ৰাগৰ ৰচনা আগৰ ৰাগৰ দৰে হয়।

**৬)ষাড়ৱ-ঔড়ৱ জাতিঃ-** ইয়াৰ আৰোহনত ৬টা আৰু অৱৰোহনত ৫ টা স্বৰ পোৱা যায়। উক্ত নিয়ম অনুযায়ী আৰোহৰ জৰিয়তে ১৫ টা ষাড়ৱ জাতি ৰাগ আৰু অৱৰোহনৰ জৰিয়তে ১৫ টা ঔড়ৱ জাতিৰ ৰাগ সংযোগেৰে মুঠ ৩৬ টা ৰাগ পোৱা যায়।

এই জাতিৰ ৰাগ উৎপত্তিৰ নিয়ম আৰু সম্পূৰ্ণ -ঔড়ৱ জাতিৰ নিয়ম একে যদিও সম্পূৰ্ণ-ঔড়ৱত ১৫ টা ৰাগহে উৎপন্ন হয় কাৰণ ইয়াৰ আৰোহৰ ৰাগৰ পৰা এটা ৰাগহে উৎপন্ন হয় কাৰণ আৰোহন সম্পূৰ্ণ।

**৭) ঔড়ৱ-সম্পূৰ্ণ জাতিঃ-**এই জাতিৰ আৰোহনত ১৫ টা আৰু অৱৰোহত ১ টা অৰ্থাৎ ১৫x১=১৫ টা ৰাগৰ সৃষ্টি হব।ঔড়ৱৰ ১৫ টা আৰু সম্পূৰ্ণৰ ১ টা । সৰ্বমুঠ ৰাগ হ'ব ১৫ টা।

**৮) ঔড়ৱ ষাড়ৱ জাতিঃ-** এই জাতিৰ ৰাগৰ আৰোহনত ঔড়ৱ অৰ্থাৎ ৫ টা স্বৰ আৰু অৱৰোহত ষাড়ৱ অৰ্থাৎ ৬ টা স্বৰ ব্যৱহাৰ হোৱাৰ কাৰণে আৰোহৰপৰা ১৫ টা আৰু অৱৰোহৰপৰা ৬ টা অৰ্থাৎ ১৫x৬=৯০ টা ৰাগৰ সৃষ্টি হয়।

**৯) ঔড়ৱ-ঔড়ৱ জাতিঃ-** এই জাতিৰ আৰোহনত ৫ টা আৰু অৱৰোহত ৫ টা স্বৰ থকা বাবে দুয়োটা ভাগৰে পৰা ১৫ টা ১৫ টা অৰ্থাৎ ১৫x১৫=২২৫ টা ৰাগৰ সৃষ্টি এই জাতিৰ পৰা হয়।

ওপৰোক্ত ৯ টা জাতিৰ পৰা বিভিন্ন ধৰণৰ নিয়ম অনুযায়ী বিভিন্ন ৰাগৰ সৃষ্টি হৈছে।

উক্ত ৯ টা জাতিৰ পৰা উৎপন্ন হোৱা মুঠ ৰাগৰ সংখ্যা হ'লঃ-

| | জাতিৰ নাম | ৰাগৰ সংখ্যা |
|---|---|---|
| ১) | সম্পূৰ্ণ -সম্পূৰ্ণ | ১ |
| ২) | সম্পূৰ্ণ-ষাড়ৱ | ৬ |
| ৩) | সম্পূৰ্ণ-ঔড়ৱ | ১৫ |
| ৪) | ষাড়ৱ-সম্পূৰ্ণ | ৬ |
| ৫) | ষাড়ৱ-ষাড়ৱ | ৩৬ |
| ৬) | ষাড়ৱ-ঔড়ৱ | ৯০ |
| ৭) | ঔড়ৱ-সম্পূৰ্ণ | ১৫ |
| ৮) | ঔড়ৱ-ষাড়ৱ | ৯০ |
| ৯) | ঔড়ৱ-ঔড়ৱ | ২২৫ |
| | | মুঠ- ৪৮৪ টা |

গতিকে আমি ক'ব পাৰো যে সৰ্বমুঠ ৯ টা জাতিৰ ওপৰত নিৰ্ভৰ কৰি আমি ৪৮৪ টা ৰাগ পাওঁ।গতিকে ৭২ ট।মেলৰ জৰিয়তে ৪৮৪x৭২=৩৪৮৪৮ টা ৰাগ পাব পাৰো।

অৱশ্যে এনে বহুতো ৰাগ আছে যি সমূহ ৰঞ্জকতাৰ বাবেহে ৰচনা কৰা হয়। কোনো নিয়মৰ মাজত আৱদ্ধ নাথাকে।

**পণ্ডিত বিষ্ণু নাৰায়ণ ভাতখাণ্ডেৰ ১০ টা ঠাট ৰাগ পদ্ধতিঃ-**

উত্তৰ ভাৰতীয় সংগীতক আমি হিন্দুস্তানী সংগীত বুলিও ক'ব পাৰো। এই উত্তৰ ভাৰতীয় সংগীত পদ্ধতিৰ জন্মদাতা হ'ল পণ্ডিত বিষ্ণু নাৰায়ণ ভাতখাণ্ডে । তেওঁৰ জন্ম হৈছিল ১৮৬০ খ্ৰীষ্টাব্দৰ ১০ আগষ্টত।তেওঁৰ সংগীতৰ কৰ্মজীৱনৰ প্ৰথম মহৎ কাৰ্যই আছিল প্ৰচলিত-অপ্ৰচলিত ৰাগসমূহক ঠাট-ৰাগ পদ্ধতিত বিভাজন কৰি লৈ ভাৰতবৰ্ষত দহটা ঠাটৰ ৰাগ বান্ধি ঠাট-ৰাগ পদ্ধতিৰ প্ৰচলন কৰা।

পণ্ডিত ব্যংকটমুখীৰ সময়তেই দক্ষিণ ভাৰতত প্ৰচলিত স্বৰ সমূহৰ ভিত্তিত ৭২ টা মেল বা ঠাটৰ উৎপত্তি হৈছিল। ঠিক একেদৰে হিন্দুস্তানী পদ্ধতিটো ১২ টা স্বৰ (শুদ্ধ আৰু বিকৃত মিলাই) কিন্তু হিন্দুস্তানী পদ্ধতিত ৭২ টা ঠাট উদ্ভাৱন কৰা সম্ভৱ নহয় কাৰণ হিন্দুস্তানী সংগীতৰ একেটা স্বৰৰে দুটা নাম নাই। সেয়েহে পণ্ডিত বিষ্ণু নাৰায়ণ ভাতখাণ্ডে ঠাট সৃষ্টিৰ সকলো নিয়ম পালন কৰি হিন্দুস্তানী সংগীতৰ প্ৰচলিত ১২ টা স্বৰৰ ভিত্তিত মাত্ৰ ৩২ টা ঠাটহে ৰচনা কৰিব পাৰি বুলি উল্লেখ কৰিছে।

উত্তৰ ভাৰতীয় সংগীতৰ প্ৰচলিত ১২ টা স্বৰ ক্ৰমে -

সা ৰে ৰে গা গা মা মা পা ধা ধা নি নি ।

আকৌ তীব্ৰ মধ্যম বাদ দি তাৰ ঠাইত সপ্তকৰ 'সা' সংযোগ কৰিলে স্বৰসমূহৰ অৱস্থান হব এনেদৰে -

সা ৰে ৰে গা গা মা পা ধা ধা নি নি সা।

এই বাৰটা স্বৰ সমষ্টিক দুটা ভাগত ভগালে প্ৰথমাৰ্দ্ধ হ'ব সা ৰে ৰে গা গা মা ,

দ্বিতীয়াৰ্ধ হ'ব পা ধা ধা নি নি নি সা ।

পূৰ্বাৰ্দ্ধ আৰু উত্তৰাৰ্দ্ধ মিলি (৬+৬) দুটা ভাগত ১২ টা স্বৰ পোৰা গ'ল।

এতিয়া প্ৰথম তথা পূৰ্ব-মেলাৰ্ধ আৰু দ্বিতীয় তথা উত্তৰ মেলাৰ্ধত ৪ টাকৈ স্বৰ যোগ কৰি ৪ টাকৈ মুঠ ১৬ টা স্বৰ পাব পাৰি। ৪x৪=১৬। এই ১৬ টা ঠাটেই হ'ল শুদ্ধ ঠাট।

শুদ্ধ মধ্যম যুক্ত কৰি পোৱা ঠাট সমূহ হ'লঃ-

(১)

| | পূৰ্বাধ মেল | | | উত্তৰাৰ্ধ মেল |
|---|---|---|---|---|
| ১) | সা ৰে গা মা | + | ১) | পা ধা নি সা (ভৈৰবী ঠাট) |
| ২) | সা ৰে গা মা | + | ২) | পা ধা নি সা |
| ৩) | সা ৰে গা মা | + | ৩) | পা ধা নি সা |
| ৪) | সা ৰে গা মা | + | ৪) | পা ধা নি সা |

(২)

| | | | | |
|---|---|---|---|---|
| ১) | সা ৰে গা মা | + | ১) | পা ধা নি সা |
| ২) | সা ৰে গা মা | + | ২) | পা ধা নি সা (ভৈৰব ঠাট) |
| ৩) | সা ৰে গা মা | + | ৩) | পা ধা নি সা |
| ৪) | সা ৰে গা মা | + | ৪) | পা ধা নি সা |

(৩)

| | | | | |
|---|---|---|---|---|
| ১) | সা ৰে গা মা | + | ১) | পা ধা নি সা (আসাৱৰী ঠাট) |
| ২) | সা ৰে গা মা | + | ২) | পা ধা নি সা |
| ৩) | সা ৰে গা মা | + | ৩) | পা ধা নি সা (কাফী ঠাট) |
| ৪) | সা ৰে গা মা | + | ৪) | পা ধা নি সা |

(৪)

| | | | | |
|---|---|---|---|---|
| ১) | সা ৰে গা মা | + | ১) | পা ধা নি সা |
| ২) | সা ৰে গা মা | + | ২) | পা ধা নি সা |
| ৩) | সা ৰে গা মা | + | ৩) | পা ধা নি সা (খমাজ ঠাট) |
| ৪) | সা ৰে গা মা | + | ৪) | পা ধা নি সা (বিলাৱল ঠাট) |

শুদ্ধ মধ্যম ব্যৱহাৰৰ জৰিয়তে প্ৰতিটো ভাগৰ পৰা ৪ টাকৈ মেল বা ঠাটৰ ৰচনা কৰিব পৰা যায়। সেই অনুপাতেই ১৬ টা ঠাটৰ সৃষ্টি হয় যত আমি ভাতখাণ্ডেজীৰ শুদ্ধ আৰু তীব্ৰ মা মিলি উৎপত্তি হোৱা ৩২ টা ঠাটৰ পৰিবৰ্তে ব্যৱহাৰ কৰা ১০ ঠাটৰে ৬ টা ঠাট শুদ্ধ মধ্যম (মা) ব্যৱহৃত ঠাটত বিচাৰি পাওঁ। সেইয়া হ'লঃ-

১) ভৈৰবী ঠাট　　২)ভৈৰব ঠাট　　৩) আসাৱৰী ঠাট

৪)কাফী ঠাট　　৫) খমাজ ঠাট　　৬) বিলাৱল ঠাট

শুদ্ধ মা ব্যৱহাৰ কৰি পোৱা ১৬ টা ঠাটৰ দৰেই একে নিয়মেৰে তীব্ৰ 'মা' ব্যৱহাৰ কৰি বাকী ১৬ টা ঠাট পোৱা যায়। যাৰ জৰিয়তে উত্তৰ ভাৰতীয় সপ্তকৰ ৩২ টা ঠাট পূৰ্ণ হয়।

*তীব্ৰ মধ্যমযুক্ত ঠাটৰ উদাহৰণঃ-*

| পূৰ্বাধ মেল | | উত্তৰাৰ্ধ মেল |
|---|---|---|
| ১) সা ৰে গা মা | + | ১) পা ধা নি সা |
| ২) সা ৰে গা মা | + | ২) পা ধা নি সা |
| ৩) সা ৰে গা মা | + | ৩) পা ধা নি সা |
| ৪) সা ৰে গা মা | + | ৪) পা ধা নি সা |

এইদৰে শুদ্ধ 'মা' ৰ পৰিবৰ্তে তীব্ৰ 'মা' ব্যৱহাৰ কৰি বাকীবোৰ স্বৰ একে থাকে আৰু ১৬ টা ঠাট সৃষ্টি কৰিব পাৰি।তীব্ৰ মাধ্যম (মা) ব্যৱহাৰ কৰি সৃষ্টি হোৱা ১৬ টা ঠাট পদ্ধতিত ৪ টা ঠাট পোৱা যায় যি কেইটা ভাতখাণ্ডেজীৰ ১০ টা ঠাটৰ অন্তৰ্গত। সেইয়া হ'লঃ-

১) তোড়ী ঠাট ২) পূৰবী ঠাট ৩) মাৰৱা ঠাট ৪) কল্যাণ ঠাট।

গতিকে ওপৰোক্ত ঠাটৰ সৃষ্টিৰ প্ৰণালীৰ জৰিয়তে শুদ্ধ আৰু তীব্ৰ মধ্যম যোগ কৰি ১৬x১৬=৩২ টা ঠাট আমি আলোচনা কৰিব পাৰো। উত্তৰ ভাৰতীয় সংগীতত এই ৩২ টা ঠাটৰ ১০ টা ঠাটৰ ১০ টা ঠাটহে ভাতখাণ্ডেজীয়ে প্ৰচলনৰ কথা উল্লেখ কৰিছে।এই ১০ টা ঠাটৰ ৬ টা ঠাট শুদ্ধ মধ্যমৰপৰা আৰু বাকী ৪ টা ঠাট তীব্ৰ মাধ্যমৰ পৰা পোৱা যায়।

ঠাট পদ্ধতিয়ে ৰাগ বিভাজনৰ ওপৰত দুই এটা মতবাদ আছে যদিও হিন্দুস্তানী সংগীতৰ ক্ষেত্ৰত ভাতখাণ্ডেজীৰ সিদ্ধান্ত সকলোৱে মানি লৈছে। অৱশ্যে দক্ষিণ ভাৰতীয় ৭২ টা মেলৰ পৰিবৰ্তে ১৯ টা ঠাট বা মেলৰহে প্ৰচলন আছে।

ভাতখাণ্ডেজীৰ ১০টা ঠাট বা মেল এনেধৰণৰ

১) সা ৰে গা মা পা ধা নি - বিলাৱল ঠাট(সকলো স্বৰ শুদ্ধ)
২) সা ৰে গা মা পা ধা নি - কল্যাণ ঠাট(মধ্যম তীব্ৰ বাকী স্বৰ শুদ্ধ)
৩) সা ৰে গা মা পা ধা নি - খমাজ ঠাট( নিষাদ কোমল বাকী স্বৰ শুদ্ধ)
৪) সা ৰে গা মা পা ধা নি - ভৈৰৱ ঠাট(ঋষভ, ধৈৱত কোমল)
৫) সা ৰে গা মা পা ধা নি -কাফী ঠাট(গান্ধাৰ আৰু নিষাদ কোমল)
৬) সা ৰে গা মা পা ধা নি -আসাৱৰী ঠাট( গান্ধাৰ, ধৈৱত আৰু নিষাদ কোমল)
৭) সা ৰে গা মা পা ধা নি -পুৰ্বী ঠাট(ঋষভ আৰু ধৈৱত কোমল, মধ্যম তীব্ৰ)
৮) সা ৰে গা মা পা ধা নি - মাৰৱা ঠাট( ঋষভকোমল আৰু মধ্যম (মা) তীব্ৰ)
৯) সা ৰে গা মা পা ধা নি -টোড়ী ঠাট(ঋষভ,গান্ধাৰ আৰু ধৈৱত কোমল মধ্যম তীব্ৰ)
১০) সা ৰে গা মা পা ধা নি -ভৈৰৱী ঠাট(ইয়াত ঋষভ, গান্ধাৰ, ধৈৱত, নিষাদ কোমল হয়)

**ঠাটৰ কেইটামান মনত ৰাখিব লগা নিয়মঃ-**

১) ঠাট বা মেল সাতটা স্বৰৰ সমষ্টি। গতিকে ঠাটত সাতটাকৈ অধিক বা কম স্বৰ থাকিব নোৱাৰে।তাৰোপৰি স্বৰসমূহৰ অৱস্থান ক্ৰমানুসাৰে হোৱা ঠাটৰ এটা বিশেষত্ব।

২) কোনো কোনো ক্ষেত্ৰত একেটা স্বৰ শুদ্ধ আৰু বিকৃতৰূপত ক্ৰমানুসাৰে সন্নিবিষ্ট হব পাৰে। হিন্দুস্তানী সংগীতত এনে স্বৰ সংযোজনা নহলেও কৰ্ণাটকী পদ্ধতিত ইয়াৰ প্ৰচলন আছে।

৩)	ঠাটৰ স্বৰসমূহ আৰোহনহে থাকে অৱৰোহন নাথাকে।

৪)	ঠাটত ৰঞ্জকতা নাথাকে।

৩) **ৰাগৰ সময় সিদ্ধান্তঃ-**

ৰাগ সংগীত কেৱল ভাৰতীয় সংগীত কলাৰে শ্ৰেষ্ঠতম নিদৰ্শন নহয় আমাৰ কৃষ্টি আৰু চিন্তাধাৰাৰ ঐক্য সমন্বয়ৰ প্ৰতীক হিচাপেও জনা যায়। সংগীতৰ দিশত 'ৰাগ' শব্দটোৰ প্ৰয়োগ বহু দেৰিকৈ হয়। ভাৰতৰ নাট্য শাস্ত্ৰত জাতি গানৰহে উল্লেখ আছে। জাতি গানৰ মুখ্য লক্ষণ অংশ শব্দটিৰ কথা কবলৈ যাওঁতেহে প্ৰথম 'ৰাগ' শব্দৰ ব্যৱহাৰ হোৱা বুলি উল্লেখ পোৱা যায়।

'ৰাগ' শব্দৰ উৎপত্তি সংস্কৃতৰ 'ৰঞ্জ' ধাতুৰপৰা হৈছে। 'ৰঞ্জ' মানে ৰঙেৰে বোলোৱা, প্ৰসন্ন যোৱা অৰ্থাৎ মনত তৃপ্তি পোৱা বুজায়।

"ৰঞ্জয়তীত ৰাগঃ" অৰ্থাৎ যি শ্ৰোতাৰ মন ৰঙেৰে বোলাব পাৰে সেয়াই ৰাগ। অভিনৱ ৰাগ মঞ্জৰীত উল্লেখিত আছে।

যি স্বৰ, বৰ্ণ আৰু অলংকাৰে মানৱ হৃদয়ত মনোৰঞ্জন দিব পাৰে তাকে ৰাগ বোলা হয়।

" যোয়ং ধ্বনি বিশেষস্তু স্বৰ বৰ্ণ বিভুষিতঃ
ৰঞ্জকো জনচিত্তা নাম স ৰাগ কথিতো বুধেঃ।"

**ৰাগৰ লক্ষণঃ-**

১)	ৰাগত ৰঞ্জকতা থাকিব লাগে।

২)	প্ৰতিটো ৰাগ উৎপত্তি যিকোনো এটা ঠাটৰ অন্তৰ্ভুক্ত হ'ব লাগে।

৩)	প্ৰতিটো ৰাগত ৫ টা স্বৰ থাকিবই লাগিব। সাতটাকৈ অধিক আৰু ৫ টাতকৈ কম স্বৰ থাকিব নোৱাৰে।

৪)	ৰাগত শুদ্ধ আৰু বিকৃত স্বৰৰ এটাৰ পাছত আনটো ক্ৰমানুসাৰে ব্যৱহাৰ নহয়।

৫)	কোনো ৰাগত 'মা' আৰু 'পা' একেলগে বৰ্জিত নহয়।

৬)	ৰাগত আৰোহন-অৱৰোহন দুয়োটাৰে অতি প্ৰয়োজন আৰু কোনো ৰাগতে 'সা' স্বৰ বৰ্জিত নহয়।

৭)	বাদী আৰু সম্বাদী ৰাগৰ প্ৰধান ৰসদাতা।

কেৱল মাত্ৰ স্বৰ সমষ্টিৰেও ৰাগ সৃষ্টি হ'ব নোৱাৰে। ব্যৱহৃত স্বৰৰ একোটা বিশেষ অভিযোজনাৰ দ্বাৰাহে বিভিন্ন ৰাগ বা সুৰৰ সৃষ্টি হোৱা সম্ভৱ । স্বৰৰ এই বিশিষ্ট গতি বা গোৱাৰ ধৰণকে বৰ্ণ বোলা হয়।

বৰ্ণ চাৰি প্ৰকাৰৰ। স্থায়ী বৰ্ণ, আৰোহী বৰ্ণ, অৱৰোহী বৰ্ণ আৰু সঞ্চাৰী বৰ্ণ। এই চাৰিটা বৰ্ণৰ যোগেদি ৰাগৰ প্ৰদৰ্শন কৰা হয়।

উত্তৰ ভাৰতীয় সংগীত পদ্ধতি মতে ঠাটৰপৰা প্ৰথমে যি ৰাগৰ উৎপত্তি হয় সেই উৎপত্তি হোৱা ৰাগক সেই ঠাটৰ নামেৰে নামাকৰণ কৰা হয়। গতিকে যিটো ঠাটৰ পৰা প্ৰথমে ৰাগ উৎপত্তি হৈ পুনৰ সেই ৰাগক যদি সেই ঠাটৰ নামেৰে নামাকৰণ কৰা যায় তাকে সেই ঠাটৰ আশ্ৰয় ৰাগ বোলা হয়।

যেনেঃ- ভৈৰৱ ঠাটৰ পৰা ভৈৰৱ ৰাগ।

'জন্য' শব্দৰ অৰ্থ জন্ম লোৱা ৰাগ যিহেতু ঠাটৰ পৰা উৎপন্ন হয়।গতিকে সকলো ৰাগেই জন্য ৰাগ।

প্ৰচলিত প্ৰত্যেকটো ৰাগৰে যেনেকৈ ঠাট, জাতি,বাদী-সম্বাদী,স্বৰ প্ৰয়োগ আদি প্ৰতিটো দিশৰে নিৰ্দিষ্ট নিয়ম থাকে। ঠিক একেদৰে ৰাগ এটা গোৱা -বজোৱা অৰ্থাৎ গায়ন কাল নিৰ্ণয়ৰ ক্ষেত্ৰতো যথেষ্ট নিয়ম দেখা যায়। এই ৰীতি অনুসৰি দিন-ৰাতিৰ বিভিন্ন সময়ৰ বাবে বিভিন্ন ৰাগ নিৰ্ধাৰণ কৰি দিয়া হৈছে। যাৰ ফলশ্ৰুতিত বৰ্তমানো

ৰাগ এটা পৰিবেশনৰ সময়ত যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। যদিও ৰাগৰ সময় সিদ্ধান্তৰ মানি চলাৰ ৰীতি কেতিয়াৰ পৰা প্ৰচলন হ'ল জনা নাযায় তথাপিও বহু যুগ যুগ ধৰি এই নীতি মানি অহা দেখা গৈছে।

ৰাতিপুৱা গোৱা ভৈৰৱী, আসাৱৰী আদি ৰাগ নিশা পৰিবেশন নকৰে তেনেদৰে নিশা পৰিবেশনৰ ৰাগ ৰাতিপুৱা পৰিবেশন নকৰে। প্ৰাচীন যুগৰ সংগীত সাধক সকলে দিন আৰু ৰাতিৰ বিভিন্ন সময়ৰ লগত মানুহৰ মানসিক আৰু শাৰিৰীক সম্পৰ্কৰ কথা উপলব্ধি কৰিছিল । প্ৰাতঃকালৰ শান্ত আৰু মধুৰ পৰিবেশে মানৱ মনলৈ প্ৰশান্তিৰ যি ভাৱ আনে সেইয়া ভাৱ মধ্যাহ্নৰ উত্তপ্ত পৰিবেশে কেতিয়াও আনিব নোৱাৰে। মানৱ মনৰ এই স্থিতিৰ কথা উপলব্ধি কৰিয়েই পুৰণি সংগীতকাৰ সকলে ৰাগ সমূহ গোৱা বজোৱাৰ সময় নিৰ্ধাৰণ কৰি দিছিল। মুঠৰ ওপৰত এটা কথাই কব পাৰি যে ৰাগ কালৰ কঠোৰ নিয়ম বৰ্তমান সম্পূৰ্ণ ৰূপত মানি নচলিলেও সময় অনুসৰি পৰিবেশন কৰিলেহে ৰাগ এটা পৰিবেশনৰ সঠিক আনন্দ উপলব্ধি কৰা যায়।

ভাৰতীয় সংগীতত গায়ন-বায়নৰ সময় নিৰ্ধাৰণৰ মুলতঃ চাৰিটা সিদ্ধান্ত পোৱা যায়। সেইয়া ক্ৰমে-

১) পূৰ্ব ৰাগ- উত্তৰ ৰাগ  ২) বাদী সম্বাদী  ৩) স্বৰৰ মাধ্যমেৰে-

ক)ৰে ধা (কোমল) খ) ৰে ধা শুদ্ধ গ) গা নি (কোমল)

৪) অৰ্দ্ধদৰ্শক স্বৰ।

**১) পুৰ্বৰাগ আৰু উত্তৰ ৰাগঃ-**

ভাৰতীয় সংগীতৰ সা,ৰে,গা,মা,পা,ধা,নি এই সপ্ত স্বৰযুক্ত একোটা সপ্তকক দুটা ভাগত ভগোৱা হৈছে। ষড়জৰ পৰা মধ্যমলৈ ( সা ৰ পৰা মা লৈ) পূৰ্বৰাগ আৰু পঞ্চমৰপৰা নিষাদলৈ (পা ৰ পৰা নি) উত্তৰ ৰাগ বুলি কোৱা হয়। অৰ্থাৎ দুপৰীয়া ১২ বজাৰ পৰা ৰাতি ১২ বজালৈ গোৱা বা বজোৱা ৰাগ য'ত পুবাংগ স্বৰৰ বেছি প্ৰয়োজন তাকে কোৱা হয় পূৰ্ব ৰাগ।

ঠিক সেইদৰে মধ্যৰাতি ১২ বজাৰ পৰা মধ্যাহ্ন অৰ্থাৎ দুপৰীয়া ১২ বজা পৰ্যন্ত পৰিবেশিত যি ৰাগত বাদী স্বৰ সপ্তকৰ উত্তৰাৰ্ধত বেছি ব্যৱহৃত হয় তাকে কোৱা হয় উত্তৰ ৰাগ। অৱশ্যে বেছিভাগ ৰাগৰ এই নিয়মৰ প্ৰচলন আছে যদিও দুই চাৰিটা ৰাগত ইয়াৰ ব্যতিক্ৰমো দেখা যায়।

**২) বাদী আৰু সম্বাদীঃ-**

পূৰ্বাংগ আৰু উত্তৰাংগ ৰাগৰ দুটা ভাগ কৰি দিন-ৰাতি মিলি ১২+১২=২৪ ঘণ্টা সময়ক এনেদৰে ভাগ কৰা হৈছে যে দুপৰীয়া ১২ বজাৰ পৰা ৰাতি ১২ বজালৈ পূৰ্বাংগ ৰাগ আৰু ৰাতি ১২ বজাৰপৰা দুপৰীয়া ১২ বজালৈ উত্তৰাংগত ভাগ কৰিছে।

অৰ্থাৎ সা, ৰে ,গা, মা এই পূৰ্বাংগ স্বৰৰ কোনো স্বৰ বাদী হ'লে ইয়াৰ গায়ন কাল হ'ব দিনৰ ১২ বজাৰ পৰা ৰাতি ১২ বজালৈ একেদৰে পা, ধা, নি, সা এই উত্তৰাংগ স্বৰৰ কোনো স্বৰ 'বাদী' স্বৰ হ'লে ইয়াৰ গায়ন কাল হ'ব ৰাতি ১২ বজাৰ পৰা দিনৰ ১২ বজালৈ ।

কিন্তু বহুতো পণ্ডিতে এই নিয়মৰ বিৰোধিতা কৰে কাৰণ সৰ্বসাধাৰণ নিয়ম অনুযায়ী ৰাগৰ বাকী স্বৰ 'পূৰ্বাংগ' হ'লে সমবাদী স্বৰ উত্তৰাংগ হয়। কেতিয়াবা পূৰ্বভাগতে বাদী-সম্বাদী দুটা স্বৰ ব্যৱহাৰ কৰা হয়।

পূৰ্বতে বাদী-সম্বাদী স্বৰৰ ওপৰত নিৰ্ভৰ কৰিহে ৰাগৰ সময় নিৰ্ধাৰণ কৰিছিল। এটা ৰাগৰ বাদী স্বৰ সপ্তকৰ পুৰ্বাধত অৱস্থিত হ'লে সম্বাদী স্বৰ উত্তৰ ভাগত হৈছিল।

কিন্তু কিছুমান ৰাগত বাদী আৰু সম্বাদী একেটা অৰ্থাৎ পূৰ্বাংগ ৰাগতে হয় সেয়ে এই বিষয়ত যথেষ্ট মতভেদৰ

থল আছে।

**৩) স্বৰৰ মাধ্যমেৰেঃ-**

**ক) 'ৰে-ধা' কোমল যুক্ত বা সন্ধি প্ৰকাশ ৰাগঃ-**

উক্ত ৰাগসমূহ সূৰ্য্যাস্ত বা সূৰ্যোদয়ৰ সময় অৰ্থাৎ দিন-ৰাতিৰ সন্ধিক্ষণত গোৱা বা বজোৱাৰ নিয়ম আছে। অৰ্থাৎ দিন- ৰাতি আৰু ৰাতি- দিনৰ সন্ধিক্ষণত গোৱাৰ বাবে এই ৰাগক কোৱা হয় সন্ধি প্ৰকাশ ৰাগ। ভৈৰব, পূৰবী, মাৰবা আদি ঠাটৰপৰা উৎপন্ন হোৱা ৰাগসমূহক এনে ৰাগৰ ভিতৰত ধৰা হয়।

এই শ্ৰেণী ৰাগৰ মূল বিশেষত্ব হ'ল 'ৰে' আৰু 'ধা' কোমল হয় আৰু 'গা',' নি' শুদ্ধ ব্যৱহৃত হোৱা দেখা যায়। সূৰ্যোদয়ৰ আৰু সূৰ্য্যাস্তৰৰ ঠিক ডেৰ ঘণ্টামান পাছলৈকে এই ৰাগবিলাকক পৰিবেশনৰ প্ৰশস্ত সময় বুলি ধৰা হয়।

এই প্ৰকাৰৰ স্বৰ যুক্ত কিছুমান ৰাগত 'ৰে', 'ধা' কোমলৰ উপৰিও তীব্ৰ 'মা' ও ব্যৱহৃত হয়। যেনেঃ- মাৰবা আৰু পুৰীয়া ৰাগ। ইয়াত শুদ্ধ 'ধা' ৰো প্ৰয়োগ হয়।


ভাৰতীয় সংগীতৰ নিয়ম অনুযায়ী প্ৰতিটো প্ৰহৰৰ বিপৰীতে অৰ্থাৎ প্ৰতি ৩ ঘণ্টাৰ মূৰে মূৰে গায়ন কাল তথা সময়ৰ পৰিবৰ্তন হয়। প্ৰতিটো প্ৰহৰৰ ব্যৱধান ৩ ঘণ্টা।

প্ৰথমটো প্ৰাতঃ কালীন সন্ধিপ্ৰকৰণ ৰাগত 'ৰে', 'ধা' কোমলৰ উপৰিও শুদ্ধ 'মা' ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ গায়ন কাল হ'ল পুৱা ৪ বজাৰ পৰা ক্ৰমে পুৱা ৭ বজালৈ।

দ্বিতীয়তে সন্ধ্যাকালীন সন্ধি প্ৰকাশ ৰাগত 'ৰে', 'ধা' কোমলৰ উপৰিও তীব্ৰ 'মা' ব্যৱহাৰ হোৱাটো নিয়ম।এই ৰাগৰ গায়ন কাল সন্ধিয়া ৪ বজাৰ পৰা ৭ বজালৈ।

প্ৰাতঃ কালীন সন্ধি প্ৰকাশ ৰাগত তীব্ৰ 'মা' ব্যৱহাৰ হোৱা দেখা নাযায় আৰু সন্ধ্যাকালীন সন্ধিপ্ৰকাশ ৰাগত শুদ্ধ 'মা' ব্যৱহাৰ হোৱা দেখা নাযায়।

**ৰাগৰ সময় চক্ৰৰ চিত্ৰ**



উক্ত চিত্ৰটোৰ জৰিয়তে ৰাগৰ সময় নিৰ্ধাৰণৰ প্ৰতিটো প্ৰহৰৰ লগতে কোনটো প্ৰহৰত কোনটো ৰাগ গোৱাৰ নিয়ম আছে ভালদৰে জনা যায়।

**খ) শুদ্ধ 'ৰে' আৰু শুদ্ধ 'ধা' স্বৰ যুক্ত ৰাগঃ-**

এই শ্ৰেণীৰ ৰাগসমূহ সাধাৰণতে সন্ধিপ্ৰকাশ ৰাগৰ পিছত অৰ্থাৎ ৰাতিপুৱা সূৰ্যোদয়ৰ কিছুসময়ৰ পাছৰ পৰা মধ্যাহ্নলৈকে অৰ্থাৎ পুৱা ৭ বজাৰ পৰা ১০ বজাৰ ভিতৰত গোৱা বজোৱা হয় আৰু সন্ধিয়াৰ কিছু সময়ৰ পাছত অৰ্থাৎ নিশা ৭ বজাৰপৰা (ৰাতিৰ প্ৰথম প্ৰহৰ) মজনিশাৰ কিছু আগলৈকে অৰ্থাৎ ১০ বজালৈ এই ৰাগ গোৱাৰ নিয়ম আছে।

শুদ্ধ 'ৰে' আৰু 'ধা' যুক্ত ৰাগৰ পুৱাৰ ভাগত পৰিবেশন কৰা ৰাগসমূহক শুদ্ধ 'মা' ব্যৱহৃত হয়। ৰাগ সমূহ- বিলাৱল, দেশকাৰ আদি।

ঠিক সেইদৰে শুদ্ধ 'ৰে', 'ধা' যুক্ত কৰি সন্ধ্যাৰ পাছত গোৱা ৰাগত তীব্ৰ 'মা' ব্যৱহৃত হয়। যেনেঃ- বিহাগ, মাৰু বিহাগ, কল্যাণ ঠাটৰ ৰাগ।

উক্ত ৰাগৰ ব্যৱহৃত স্বৰ অনুযায়ী যিদৰে ৰাগৰ সময় সঠিক ৰূপত নিৰ্ধাৰিত কৰিছে সেইদৰে দিনৰ ৭ বজাৰ পৰা ১০ বজালৈ গোৱা ৰাগৰ বাদী স্বৰ উত্তৰাঙ্গ ৰাগত আৰু সম্বাদী স্বৰ পূৰ্বাঙ্গত পোৱা যায়।

আকৌ ৰাতি ৭বজাৰ পৰা ১০ বজালৈ গোৱা ৰাগৰ বাদী স্বৰ পূৰ্বাঙ্গত আৰু সম্বাদী স্বৰ উত্তৰাঙ্গ ৰাগত পোৱা যায়।

ইয়াৰৰোপৰি পুৱা ৭-১০ বজাৰ ভিতৰত গোৱা ৰাগৰ বিস্তাৰ মধ্য আৰু তাৰ সপ্তকত বেছি কৰা হয় আৰু ৰাতি ৭-১০ বজাৰ ভিতৰৰ ৰাগৰ বিস্তাৰ মন্দ্ৰ আৰু মধ্য সপ্তকত বেছি কৰা হয়।

**গ) 'গা-নি' কোমল যুক্ত ৰাগঃ-**

গা নি কোমল যুক্ত ৰাগ মধ্যাহ্নৰ পাছৰপৰা সন্ধ্যালৈকে আৰু মাজনিশাৰ পৰা পুৱতি নিশাৰ সময়ছোৱাত গোৱা হয়। এই ধৰণৰ ৰাগত 'ৰে' আৰু 'ধা' কেতিয়াবা কোমল আৰু কেতিয়াবা শুদ্ধ ও ব্যৱহাৰ হয়।

যেনেঃ- আসাৱড়ী, কাফী, ভৈৰৱী আদি ঠাটৰ ৰাগ। ওপৰোক্ত চিত্ৰটোত ইয়াৰ বিষয়ে পোৱা যায়।

এই শ্ৰেণীৰ ৰাগ দিনৰ ১০ বজাৰ পৰা ৪ বজালৈ আৰু ৰাতিৰ ১০ বজাৰ পৰা পুৱা ৪ বজাৰ ভিতৰত গোৱা বজোৱা হয়।

অৱশ্য 'গা', 'নি' কোমল যুক্ত এনে কিছুমান ৰাগো আছে যি সমূহ উক্ত নিয়মৰ অন্তৰ্গত নহয়। কিছুমান ৰাগক কোনো সময়ৰ মাজত ৰখা নহয় যাক সৰ্বকালীন ৰাগ বোলা হয়।

পৰিৱৰ্তিত সমাজ ব্যৱস্থাত হয়তো বহু কথালৈ লক্ষ্য ৰাখি ৰাগ গায়ন কালৰ সময়ৰ ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। কাৰণ মাজ নিশা বা পুৱতি নিশালৈ এটা ৰাগ উপভোগ কৰাটো কৰ্মব্যস্ততাৰে ভৰা সমাজ খনত কিছু বাধা আহি পৰিছে। যাৰ ফলস্বৰূপে সময়ৰ সৈতে খাপ খুৱাই পৰিবেশন কৰাত অসুবিধা হোৱাৰ বাবেই বহুতো ৰাগ শুনাৰ পৰা বঞ্চিত হ'ব লগা হয়।

**অধ্বদৰ্শক স্বৰঃ-** ৰাগ এটা পৰিবেশনত মধ্যম স্বৰটোৱে বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। এই মধ্যম স্বৰটোৰ ওপৰত নিৰ্ভৰ কৰিয়েই ৰাতি আৰু দিনৰ ৰাগৰ সময় অনুযায়ী ৰাগ নিৰ্ধাৰণ কৰিব পাৰি। সেয়ে ইয়াক ৰাগৰ পথ প্ৰদৰ্শক হিচাপেও জনা যায়।

কাৰণ ৰাতিপুৱা ভাগৰ প্ৰায় ৰাগতে শুদ্ধ মধ্যমৰ ব্যৱহাৰ দেখা যায়। ইয়ৰ বিপৰীতে ৰাতিৰ ভাগৰ প্ৰায়

ৰাগতে তীব্ৰ মধ্যম ব্যৱহাৰ হয়।

কিছুমান ৰাগত নিৰ্ধাৰিত সময় নাথাকে। যেনেঃ- ভৈৰৱ আৰু বহাৰ। ইয়াত অৰ্দ্ধদৰ্শক অৰ্থাৎ 'মা' স্বৰৰ সহায়ত এটা ৰাগৰ সময় ৰাতিৰ ১২ বজাৰ পৰা দিনৰ ১২ বজাৰ ভিতৰত ধৰা হৈছে। কাৰণ 'বহাৰ' ৰাগ মাজৰাতি গোৱাৰ উপৰিও ইয়াক বসন্ত ঋতুৰ সৰ্বকালীন ৰাগো বোলা হয়। ইয়াৰোপৰি ইয়াৰ বাদী স্বৰ 'মা'। সেই অনুযায়ী এই ৰাগৰ কাল পূৰ্বাঙ্গ ভাগত হ'ব লাগিছিল। কিন্তু সঠিক সময় নিৰূপন কৰিব নোৱাৰাৰ বাবে ই উত্তৰাঙ্গ ৰাগৰহে অন্তৰ্গত হয়।

## ৪)ৰাগ বিভাজনঃ-

অতীতৰেপৰা ভাৰতবৰ্ষত বিভিন্ন ৰাগসমূহৰ গঠন, স্বৰ বিন্যাস অন্তৰ্নিহিত ভাৱ আৰু ৰসৰ ভিত্তিত ইয়াক শ্ৰেণীবদ্ধ কৰাৰ প্ৰচেষ্টা চলি আহিছে। ৰাগৰ এই শ্ৰেণী বদ্ধকৰণ প্ৰক্ৰিয়াকে কোৱা হয় ৰাগ বিভাজন। ৰাগ বিভাজনৰ এই পদ্ধতিৰ ভিতৰত ৰাগ-ৰাগিনীও অন্যতম পদ্ধতি।

ৰাগ-ৰাগিনী পদ্ধতি অনুযায়ী কিছুমান ৰাগক পুৰুষ আৰু আন কিছুমানক স্ত্ৰী আখ্যা দিয়া লগতে কিছুমানক পুত্ৰ আৰু পুত্ৰবধু আখ্যা দিয়া হয়। প্ৰথম অৱস্থাত এনে বৰ্গীকৰণত অসুবিধা হৈছিল যদিও পাছলৈ ৰাগৰ ৰূপ সলনিৰ লগে লগে এই পদ্ধতি আৰু ৰাগৰ মাজৰ সামঞ্জস্য নোহোৱা হ'ল।

কালক্ৰমত এই দিশত বিভিন্ন পণ্ডিত সকলৰ মাজত হোৱাৰ ফলত ২১ প্ৰকাৰৰ ৰাগ-ৰাগিনী বিভাজন মুল মত প্ৰচাৰ হ'ব ধৰে।

'ৰা-মালা' নামৰ গ্ৰন্থখনিত পুণ্ডৰীক মিট্ৰলে ৬টা পুৰুষ ৰাগৰ সৈতে প্ৰত্যেকৰে পাঁচটাকৈ ৰাগিনী আৰু ৫ টা পুত্ৰ ৰাগ মানিছিল। সেইসমূহ হ'লঃ-

| | মুলৰাগৰ নাম | | ৰাগিনীৰ নাম |
|---|---|---|---|
| ১) | শুদ্ধ ভৈৰৱী | ঃ | ধনাশ্ৰী, ভৈৰৱী,সৈন্ধৱী, মাৰৱী, আসাৱৰী। |
| ২) | হিন্দোল | ঃ | ভূপালী, বসন্তী, তোড়ী, পট-মঞ্জৰী, তুৰস্ক-তোড়ী। |
| ৩) | দেশকাৰ | ঃ | ৰামশ্ৰী, বহুলী, দেশী, জৈতশ্ৰী, গুজৰী। |
| ৪) | শ্ৰী | ঃ | গৌড়ী, পাড়ী, গুনকৰী, শুদ্ধ-ৰামক্ৰী, গুনক্ৰী। |
| ৫) | শুদ্ধ নাট | ঃ | মালৱশ্ৰী, দেশাক্ষী, দেৱকী, মধুমাধৱী, অহীৰী। |
| ৬) | নটনাৰায়ণ | ঃ | বেলাৱলী, কাম্বোজী, সাৰেৱী, সৌৰাষ্ট্ৰী। |

অৱশ্য ৰাগ-ৰাগিনী বিভাজনৰ ২১ টা মতৰ ৪ টা মতহে বিশেষভাৱে পোৱা যায়।সেইয়া হ'লঃ-

১) শিৱমত আৰু সোমেশ্বৰ মত ২) ভৰত মত ৩) কল্লীনাথ মত ৪) হনুমান মত।

### ১) শিৱমত বা সোমেশ্বৰ মতঃ-

উক্ত মত অনুযায়ী মুখ্য ৰাগ ৬ টা আৰু প্ৰত্যেক ৰাগৰে ৬ টা ৰাগিনী মিলাই মুঠ ৪২ টা ৰাগ-ৰাগিনী হয়। এই মতৰ আধাৰ হ'ল পণ্ডিত দামোদৰ ৰচিত 'সংগীত দৰ্পন'।

ৰাগ-ৰাগিনী সমূহ হ'লঃ-

| ৰাগৰ নাম | ৬ ৰাগিনীৰ নাম |
|---|---|
| শ্ৰীৰাগ | ঃ মালশ্ৰী,ত্ৰিৱেনী, গৌৰী,কেদাৰী, মধুমাধৱী, পহাড়িকা |

| | |
|---|---|
| বসন্ত | ঃ দেশী, দেৱগিৰী, বৰাটী, তোড়ী, ললিতা, হিন্দোলী |
| ভৈৰৱ | ঃ ভৈৰৱী, গুর্জৰী, ৰামকিৰী,গুনকীৰি, বঙ্গালী, সৈন্ধৱী |
| পঞ্চম | ঃ বিভাষা, ভূপালী, ক্ৰনাটী, বড়হনসিকা, মালৱী, পটমঞ্জৰী |
| নটনাৰায়ণ | ঃ কামোদী, কল্যাণী, আভীৰী, নাটিকা, সাৰংগী, নট্টহম্বীৰা |
| মেঘ | ঃ মল্লাৰী, সোৰঠী, সাবেৰী, কৌসিকী, গান্ধাৰী, হৰ-শৃংগাৰ |

**২) ভৰত মতঃ**- ভৰত মতৰ ৰাগ-ৰাগিনী শিৱমতক সম্পূৰ্ণ বেলেগ। এই মতৰ ৰাগৰ সংখ্যা ৬ যদিও ৰাগিনী ৩০ টাহে কাৰণ ইয়াৰ প্ৰতিটো ৰাগতে ৫ টাকৈ ৰাগিনী আছে।

ৰাগ-ৰাগিনী সমূহ হ'লঃ-

| **ৰাগৰ নাম** | **ৰাগিনীৰ নাম** |
|---|---|
| ভৈৰৱ | ঃ বেৰাড়ী, ভৈৰৱী, বহুলী, ললিতা, মধুমাধৱী |
| মালকোঁস | ঃ তোড়ী, খম্বাৱতী |
| হিন্দোল | ঃ আসাৱৰী, দেৱাৰী, কেকী, মালৱী, ৰামকলি |
| দীপক | ঃ গুর্জৰী, ৰুদ্ৰাৱতী, কামোদ, কেদাৰী, দৌড়া। |
| শ্ৰী | ঃ হিন্ধৱী, কাফী, ঠুমৰী, সোহিনী, বিচিত্ৰা |
| মেঘ | ঃ সাৰঙ্গ, দেশী, ৰতিৱল্লভা, কানড়া, মল্লাৰী। |

**৩) কল্লীনাথ মতঃ**- এইমত শিৱনাথৰ ৰাগ সমূহৰ সৈতে মিলে যদিও ৰাগিনীৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য আছে। ইয়াতো মুঠ ৬ টা ৰাগ আৰু ৩৬ টা ৰাগিনী পোৱা যায়।

| **ৰাগৰ নাম** | **ৰাগিনীৰ নাম** |
|---|---|
| শ্ৰী ৰাগ | ঃ গান্ধাৰ, মালকোঁস, গৌৰি, কোলাহল, ধৱলা, বৰোৰাজী। |
| বসন্ত | ঃ ধাঁকী, দেৱখাগ, পটমঞ্জৰী, গুনকলী, অন্ধালী, গৌড়কাৰী। |
| পঞ্চম | ঃ অহীৰী, হসন্তৰেতহা, বেৰাৰী, কোত্ৰভ, আশাৱৰী,ত্ৰিৱেনী। |
| ভৈৰৱী | ঃ বিহাগ,ভৈৰৱী, বিলাৱলী, গুজৰী, কাণড়া, কৰ্ণাট্ৰী। |
| মেঘ | ঃ মধুৰা, ধনাশী, কামোদ, দেৱতীৰ্থ, দিৱল, বংগালী। |
| নৰ্ণ্টনাৰায়ণ | ঃ ৰামা, সিন্ধমলাৰী, পূৰ্বী, গন্ধাৰী, ত্ৰিবগী, তিলংগী। |

**৪) হনুমান মতঃ**- হনুমান মতত ৬ টা ৰাগ আৰু ৩০ টা ৰাগিনী পোৱা যায়। ৰাগ-ৰাগিনী মুঠ ৩৬ টা।

ৰাগ-ৰাগিনী সমূহ হ'লঃ-

| **ৰাগৰ নাম** | **ৰাগিনীৰ নাম** |
|---|---|
| ভৈৰৱ | ঃ বৰাৰী, মধমাদী, ভৈৰৱী, সিন্ধৱী, বঙ্গালী। |
| মালকোঁস | ঃ গুনকলি, খম্বাৱতী, গোড়ী, তোড়ী, কুকুভ। |
| হিন্দোল | ঃ ৰামকলী, বিলাৱলী, ললিতা, পটমঞ্জৰী, দেৱখাস |
| দীপক | ঃ দেশী, কামোদ, কাণাড়া, কেদাৰী, নাট। |
| শ্ৰী | ঃ মালশ্ৰী, বসন্তী, আসাৱৰী, ধনশ্ৰী, মাৱৱা। |
| মেঘ | ঃ মলহাৰ, ভূপালী, গুজৰী, তনক, দেশকাৰ। |

উক্ত ৰাগিনী-ৰাগৰ বিভাজনৰ পাছত দেখা যায় যে ইয়াৰ মতানৈক্যৰ মূলতঃ কাৰণ এটা অনুযায়ী ৰাগৰ সংখ্যা ৬ যদিও ৰাগিনীৰ সংখ্যা কোনো এটাত ৩৬ আৰু কোনো এটাত ৩০ হয়। তাৰোপৰি এটা মতৰ লগত আন এটা মতৰ যথেষ্ট পাৰ্থক্য আছে।

সময়ৰ লগে লগে ৰাগ সংগীতৰ ক্ৰিয়াত্মক দিশত অহা পৰিৱৰ্তনে ৰাগ-ৰাগিনীৰ দিশৰ পৰিৱৰ্তে নতুন মত প্ৰচলনৰ চেষ্টা কৰিও সফল নহ'ল। শেষত পণ্ডিত বিষ্ণু নাৰায়ণ ভাতখাণ্ডেৰ প্ৰচেষ্টাত ৰাগ বিভাজনৰ এক নতুন আৰু উপযুক্ত পদ্ধতিৰ প্ৰচলন হ'ল। সেইয়া হ'ল ঠাট বা মেল পদ্ধতি।

ইয়াৰোপৰি প্ৰাচীন কালত পণ্ডিত সকলে প্ৰচলিত ৰাগ সমূহক আৰু তিনিটা পদ্ধতিৰে শ্ৰেণীবদ্ধ কৰাৰ প্ৰচেষ্টাও চলাইছিল।

১) শুদ্ধ ৰাগ　　২) ছয়ালগ ৰাগ　　৩) সংকীৰ্ণ ৰাগ

**১) শুদ্ধ ৰাগঃ-** শুদ্ধ ৰাগ বুলি কওঁতে যি ৰাগত আন কোনো ৰাগৰ সংমিশ্ৰণ নঘটোৱাকৈ নিজৰ স্থানত অচল অৱস্থাত ৰাখি শাস্ত্ৰীয় বিধি তথা ৰীতি-নীতি অনুযায়ী বিশুদ্ধভাৱে পৰিৱেশন কৰা হয় সেই ৰাগকে কোৱা হয় শুদ্ধ ৰাগ।

এই শ্ৰেণী ৰাগৰ মূল বিষেশত্ব হ'ল আন কোনো ৰাগৰ সহায় নোলোৱাকৈয়ে স্বতন্ত্ৰভাৱে নিজৰ ৰূপ পৰিস্ফুট কৰি তোলে। সেয়ে স্বতন্ত্ৰতাই হৈছে এই ৰাগৰ আত্মপৰিচয়। যেনে- য়মন, ভৈৰৱী, কাফী।

**২) ছয়ালগ ৰাগঃ-** যি ৰাগত আন ৰাগৰ ছাঁ সামান্য পৰিমানতে পৰিলক্ষিত হয় তেনে ৰাগক কোৱা হয় ছয়ালগ ৰাগ। এনে ৰাগত অতি কমেও আন এটা ৰাগৰ সংমিশ্ৰণ হৈ থাকে। সেয়ে এই ৰাগ পৰিৱেশনৰ সময়ত কি ৰাগৰ সংমিশ্ৰণ আছে ভালদৰে জনা অতি প্ৰয়োজন তেতিয়া ছাঁয়া ৰাগৰ জৰিয়তে ৰাগত ৰঞ্জকতা প্ৰকাশত সুবিধা হয়।

এনে ৰাগৰ উদাহৰণঃ- পটদীপ, মালগুঞ্জী, শুদ্ধ-কল্যাণ আদি।

**৩) সংকীৰ্ণ ৰাগঃ-** যি ৰাগ শুদ্ধ আৰু ছয়ালগ ৰাগৰ সংমিশ্ৰণত উৎপন্ন হয় তাকে কোৱা হয় সংকীৰ্ণ ৰাগ। এই শ্ৰেণীৰ ৰাগত গায়ন শৈলীত বিভিন্ন ৰাগৰ সৃষ্টি হয়। কিন্তু এই ৰাগ সংমিশ্ৰণৰ সময়ত যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লগা হয়।

এই শ্ৰেণীৰ ৰাগ যেনে-পীলু, মিশ্ৰ-খমাজ, মিশ্ৰ-কাফী।

## ৫)পাঠ্যক্ৰমৰ ৰাগসমূহৰ বিৱৰণ আৰু সম্পূৰ্ণ ভাৱে সমপ্ৰকৃতি ৰাগৰ তুলনামূলক আলোচনা।

ৰাগসমূহৰ বিৱৰণঃ-

১) ৰাগ ঃ হমীৰ

ঠাট ঃ কল্যান।

জাতি ঃ সম্পূৰ্ণ-সম্পূৰ্ণ।

বাদী স্বৰ ঃ ধা।

সমবাদী স্বৰ ঃ গা।

স্বৰ প্ৰয়োগ ঃ দুটা মা (তীব্ৰ আৰু শুদ্ধ)

বৰ্জিত স্বৰ ঃ নাই

সমপ্ৰকৃতি ৰাগ ঃ কেদাৰ

ন্যাস স্বৰ ঃ পা , ধা

গায়ন কাল ঃ ৰাতিৰ প্ৰথম প্ৰহৰ

প্ৰকৃতি ঃ গম্ভীৰ

আৰোহন ঃ সাৰেসা, গামাধা, নিধা, সা

অৱৰোহন ঃ সানিধাপা, মাপাধাপা, গামেৰেসা।

পকড় ঃ সা, ৰেসা, গামাধা।

হমীৰ ৰাগৰ ঠাট কল্যাণ যদিও বিলাৱল ৰাগৰ লগত মিল থকাৰ বাবে ইয়াক বিলাৱট ঠাটৰ অন্তৰ্গত বুলিও কোৱা শুনা যায়। হমীৰ ৰাগৰ আৰোহন-অৱৰোহন এটা মতবাদ দেখা যায় যে কোনোৱে ইয়াৰ আৰোহন সম্পূৰ্ণ-সম্পূৰ্ণ জাতিৰ অন্তৰ্গত কৰি লোৱাৰ বিপৰীতে আন কোনোৱে ষাড়ৱ- সম্পূৰ্ণ জাতিৰ অন্তৰ্গত কৰি লয়।

এটা ৰাগত তীব্ৰ মধ্যম (মা) অলপ প্ৰয়োগ হয় আৰু নি স্বৰটো অলপ দুৰ্বল হয় আৰু আৰোহনত বক্ৰভাৱে প্ৰয়োগ হয়। ইয়াৰোপৰি গান্ধাৰ (গা) বক্ৰ গতিত প্ৰয়োগ হয়। উল্লেখযোগ্য যে হমীৰ ৰাগত 'পা' স্বৰৰপৰা পোনপটীয়াকৈ তাৰ সপ্তকৰ 'সা' লৈ যোৱা হয় অন্তৰালৈ যাওঁতে। ইয়াত ধৈৱত (ধা) দুই প্ৰকাৰে ব্যৱহৃত হয়। বিশ্ৰান্তিৰ সময়ত তাৰ সপ্তকৰ সা কণ স্বৰ হিচাপে প্ৰয়োগ হয় আৰু কণ স্বৰ প্ৰয়োগ নকৰাকৈয়ো গোৱা যায়।

২) ৰাগ ঃ কেদাৰ

ঠাট ঃ কল্যাণ।

জাতি ঃ ঔড়ৱ-ষাড়ৱ।

বাদী স্বৰ ঃ মা।

সমবাদী স্বৰ ঃ সা।

বৰ্জিত স্বৰ ঃ আৰোহন (ৰে, গা)

কোমল স্বৰ ঃ কোমল(নি) (বিবাদী হিচাপে)

স্বৰ প্ৰয়োগ ঃ দুটা 'মা' (তীব্ৰ আৰু শুদ্ধ)

সমপ্ৰকৃতি ৰাগ ঃ হমীৰ

গায়ন কাল ঃ ৰাতিৰ প্ৰথম প্ৰহৰ

প্ৰকৃতি ঃ

ন্যাস স্বৰ ঃ গা, মা, পা

আৰোহন ঃ সামা, মাপা, ধাপা, নিধাসা।

অৱৰোহন ঃ সানিধাপা, মাপা, ধাপামা, গামা, ৰেসা।

পকড় ঃ সামা, মাপা, মাপধাপামা , গামা, ৰেসা।

কেদাৰ ৰাগত তীব্ৰ মধ্যম (মা) পঞ্চম স্বৰৰ সৈতে গোৱা যায়। অৱৰোহত 'ধা' ৰ পৰা 'মা' লৈ মীড় কৰি অনা যায় ধাপামা আৰোহত 'গা' বৰ্জিত যদিও ৰাগৰ সৌন্দৰ্য্যৰ হেতু ম, গাপা এনেদৰে লোৱা হয়। অৱৰোহত কোমল নি ব্যৱহাৰৰ জৰিয়তে ৰাগৰ সৌন্দৰ্য্য বৃদ্ধি কৰা হয়।

৩) ৰাগ ঃ বিহাগ

ঠাট ঃ বিলাৱল

জাতি ঃ ঔড়ৱ-সম্পূৰ্ণ।

বাদী স্বৰ ঃ গা

সম্বাদী স্বৰ ঃ গা

স্বৰ প্ৰয়োগ ঃ আৰোহনত

বৰ্জিত স্বৰ ঃ আৰোহনত ৰে, ধা।

কোমল স্বৰ ঃ নাই

সমপ্ৰকৃতি ৰাগ ঃ শংকৰা

ন্যাস স্বৰ ঃ গা, পা, নি

গায়ন কাল ঃ

প্ৰকৃতি ঃ গম্ভীৰ

আৰোহন ঃ সাগা, মাপা, নিসা

অৱৰোহন ঃ সানিধাপা, মাগা, ৰেসা

পকড় ঃ নিসা, গামাপা, গামাগা, ৰেসা।

বিহাগ ৰাগ উত্তৰাংগবাদী ৰাগৰ অন্তৰ্গত। এই ৰাগত ৰে, ধা দুৰ্বল হয়। তীব্ৰ মধ্যম বিবাদী হিচাপে ব্যৱহৃত হয়। এই ৰাগত 'গা' স্বৰৰ পৰা 'সা' স্বৰলৈ আৰু 'নি' স্বৰৰ পৰা 'পা' স্বৰলৈ অনা কৌশল অতি গুৰুত্বপূৰ্ণ। আৰোহনত ৫ টা স্বৰ প্ৰয়োগ হোৱা বাবে ইয়াৰ জাতি ঔড়ৱ-সম্পূৰ্ণ হয়।

৪) ৰাগ ঃ বাগেশ্ৰী

ঠাট ঃ কাফী

জাতি ঃ ঔড়ৱ-ষাড়ৱ

বাদী স্বৰ ঃ মা।

সম্বাদী স্ব ঃ সা

স্বৰ প্ৰয়োগ ঃ কোমল স্বৰ ( গা, নি)

বৰ্জিত স্বৰ ঃ আৰোহত ৰে অৱৰোহত পা

কোমল স্বৰ ঃ গা , নি

সমপ্ৰকৃতি ৰাগ ঃ

গায়ন কাল ঃ মাজৰাতি

প্ৰকৃতি ঃ গম্ভীৰ

ন্যাস স্বৰ ঃ গা, মা, ধা।

আৰোহন ঃ সা, নিধানিসা, মাগা, মাধা, নিসা

অৱৰোহন ঃ সা, নিধা, মাগা , মাগাৰেসা।

পকড় ঃ সা, নিধা, সা, মাধা, নিধা, মা, গাৰে, সা

বাগেশ্ৰী ৰাগ পূৰ্বাংগবাদী ৰাগৰে অন্তৰ্গত। অৱৰোহত 'পা' স্বৰ বক্ৰ ৰূপত ব্যৱহাৰ হয় ' মাপাধাগা' এইদৰে। তানৰ সময়তো 'পা' স্বৰ অৱৰোহত লোৱা হয় বৰ্জিত যদিও আৰু গান্ধাৰ স্বৰত অৱৰোহৰ সময়ত মধ্যমৰ প্ৰয়োগ কম কৰা হয়। যেনে- ᵐগা, ᵐগা, ৰেসা। স্বৰৰ সংগতিয়ে অধিক ৰসাত্মক কৰি তোলে ৰাগ।

বাগেশ্ৰী কাফী ঠাটৰ আৰু ৰাগেশ্ৰী খমাজ ঠাটৰ। সেই অনুপাতে ৰাগেশ্ৰীত শুদ্ধ গা, নি অৱৰোহত শুদ্ধ 'গা'

আৰু কোমল নি ব্যৱহাৰ হয়।

৫) ৰাগ ঃ বৃন্দাৱনী সাৰংগ

ঠাট ঃ কাফী

জাতি ঃ ঔড়ৱ-ঔড়ৱ

বাদী স্বৰ ঃ পা

সম্বাদী স্বৰ ঃ ৰে

বৰ্জিত স্বৰ ঃ গা , ধা

স্বৰ প্ৰয়োগ ঃ অৱৰোহত নি (কোমল)

সমপ্ৰকৃতি ৰাগ ঃ সুৰমলহাৰ

ন্যাস স্বৰ ঃ

গায়ন কাল ঃ দিনৰ তৃতীয় প্ৰহৰ

প্ৰকৃতি ঃ চঞ্চল

আৰোহন ঃ নি সাৰে, মাপা, নিসা

অৱৰোহন ঃ সানিপা, মাৰে, সা।

পকড় ঃ নিসাৰে, মাৰে, পামাৰেসা।

এই ৰাগ উত্তৰাংগাদী ৰাগৰ অন্তৰ্ভুক্ত। ইয়াৰ আৰোহ-অৱৰোহত ৫ টা স্বৰ ব্যৱহৃত হয় গা, ধা বৰ্জিত বাবে জাতি ঔড়ৱ-ঔড়ৱ। আৰোহত শুদ্ধ নি অৱৰোহত কোমল 'নি' ব্যৱহৃত হয়।

এই ৰাগটো বৃন্দাৱনত প্ৰচলিত এটা লোক গীতৰ আধাৰত হোৱা বুলি কয়। বৃন্দাৱন শব্দৰ লগত ৰাগৰ স্বৰ বিস্তাৰৰ কোনো সম্বন্ধ নাই বাবে কেতিয়াবা বৃন্দাৱন শব্দটো এৰি কেৱল সাৰঙ্গ ৰাগ বোলা হয়।

৬) ৰাগ ঃ ভীমপলাসী

ঠাট ঃ কাফী

জাতি ঃ ঔড়ৱ-সম্পূৰ্ণ

বাদী স্বৰ ঃ মা, সম্বাদী-সা

বৰ্জিত স্বৰ ঃ আৰোহত ( ৰে, ধা)

স্বৰ প্ৰয়োগ ঃ গা, নি (কোমল)

সমপ্ৰকৃতি ৰাগ ঃ পটদীপ

ন্যাস স্বৰ ঃ সা, গা, মা, পা

গায়ন কাল ঃ দিনৰ তৃতীয় প্ৰহৰ

প্ৰকৃতি ঃ শান্ত

আৰোহন ঃ নিসাগামা, পা, নিসা।

অৱৰোহন ঃ সানিধাপামা, গাৰেসা

পকড় ঃ নিসামা, মাগা, পামা, গা, মাগাৰেসা।

ভীমপলাসী ৰাগৰ সৃষ্টি দুটা ৰাগৰ সংমিশ্ৰণত হৈছে। সেইয়া ক্ৰমে 'ভীম' আৰু 'পলাসী'। শুদ্ধ নি প্ৰয়োগেৰে

এই ৰাগৰ সৌন্দৰ্য্য বৃদ্ধি কৰে।

ভীম-কাফী ঠাটৰ। 'মা' বাদী আৰু 'সা'-সম্বাদী।শুদ্ধ 'গা' ব্যৱহাৰৰ লগতে আৰোহ-অৱৰোহত 'নি' কোমল হয়।

আৰোহ ঃ নি সাগা, মাপা, নিসা।

অৱৰোহ ঃ সানিধাপা, ধাপা, পাগা, ৰেসা

পলাসী- কাফী ঠাটৰ। ধা বৰ্জিত। বাদী-মা।সম্বাদী-সা

আৰোহ ঃ নি সাগামা, পা, নিসা।

অৱৰোহ ঃ সানি পামা, গাৰেসা।

৭) ৰাগ ঃ জৌনপুৰী

ঠাট ঃ আশাৱৰী

জাতি ঃ ষাড়ৱ-সম্পূৰ্ণ

বাদী স্বৰ ঃ ধা

সম্বাদী স্বৰ ঃ গা

বৰ্জিত স্বৰ ঃ

স্বৰ প্ৰয়োগ ঃ গা, ধা, নি (কোমল)

সমপ্ৰকৃতি ৰাগ ঃ আসাৱৰী

ন্যাস স্বৰ ঃ

গায়ন কাল ঃ দিনৰ দ্বিতীয় প্ৰহৰ

প্ৰকৃতি ঃ

আৰোহন ঃ সা, ৰেমা, পা, ধা, নিসা।

অৱৰোহন ঃ সা, নিধা, পা, মাগা, ৰেসা।

পকড় ঃ মা পা, নিধাপা, ধা, মাপাগা, ৰেমাপা।

এই ৰাগ অতি জনপ্ৰিয়। জৌনপুৰৰ ৰজা হুচেইন শৰ্কীয়ে ৰচনা কৰাৰ কাৰণে ইয়াৰ নাম জৌনপুৰী নামে জনাজাত হ'ল। এইটো উত্তৰাঙ্গবাদী ৰাগৰ অন্তৰ্গত।

৮) ৰাগ ঃ মালকোঁস

ঠাট ঃ ভৈৰৱী

জাতি ঃ ঔড়ৱ-ঔড়ৱ

বাদী স্বৰ ঃ মা

সম্বাদী স্বৰ ঃ সা

বৰ্জিত স্বৰ ঃ ৰে, পা।

স্বৰ প্ৰয়োগ ঃ গা, ধা, নি (কোমল)

সমপ্ৰকৃতি ৰাগ ঃ চন্দ্ৰকোস

ন্যাস স্বৰ ঃ সা, গা, মা

গায়ন কাল ঃ ৰাতিৰ তৃতীয় প্ৰহৰ

প্ৰকৃতি ঃ গম্ভীৰ

আৰোহন ঃ নিসা, গামা ধা, নিসা

অবৰোহন ঃ সানিধামা, গামা, গাসা

পকড় ঃ

এই ৰাগৰ সৌন্দৰ্য্য মৰ্দ্দানি আবাজত প্ৰকাশ পায়। এই ৰাগত বড়া খ্যাল, ছোটা খ্যাল, ধ্ৰুপদ, ধমাৰ তৰানা আদি গোৱা হয়। এই ৰাগ অতি লোকপ্ৰিয় তথা শ্ৰুতিমধুৰ। এই ৰাগ তিনিওটা সপ্তকতে গোৱা হয়। এই ৰাগৰ স্বৰ প্ৰকাশ অৱশ্য কঠিন নহয়।

## সমপ্ৰকৃতি ৰাগৰ তুলনা

১) ভীমপলাসী আৰু বাগেশ্ৰী

ভীমপলাসী আৰু বাগেশ্ৰী দুয়োটা ৰাগতে বহুতো সাদৃশ্যতাৰ লগতো ভিন্নতাও পৰিলক্ষিত হয়। সেইসমূহ হ'লঃ-

### সাদৃশ্যতা

১) দুয়োটা ৰাগেই কাফী ঠাটৰপৰা উৎপত্তি হৈছে।

২) দুয়োটাতে ব্যৱহৃত স্বৰসমূহ প্ৰায় একে। গা, নি কোমল। বাকী স্বৰ শুদ্ধ।

৩) দুটা ৰাগৰে বাদী-সম্বাদী স্বৰ একেই। বাদী-মা, সম্বাদী-সা।

৪) দুয়োটা ৰাগৰে আৰোহনত ৫ টা আৰু অৱৰোহত৭টা স্বৰ আছে। বাবে দুয়োটা ৰাগৰে জাতি ঔড়ৱ-সম্পূৰ্ণ।

৫) দুয়োটা ৰাগেই পূৰ্বাংগবাদী ৰাগ আৰু দুয়োটাৰে প্ৰকৃতি গম্ভীৰ।

৬) দুয়োটা ৰাগতে 'ৰে' স্বৰ আৰোহনত বৰ্জিত।

### পাৰ্থক্য বা ভিন্নতা

| ভীমপলাসী ৰাগ | বাগেশ্ৰী |
|---|---|
| ১) ভীমপলাসী ৰাগত আৰোহনত 'ৰে' আৰু 'ধা' বৰ্জিত | ১) বাগেশ্ৰীত 'ৰে' অতি দুৰ্বল আৰু 'পা' স্বৰ বৰ্জিত |
| ২)ভীমপলাসী ৰাগত 'পা' মুখ্য স্বৰ | ২) বাগেশ্ৰীত 'পা' স্বৰৰ প্ৰধান্য অতি কম। |
| ৩) ভামপলাসীৰ আৰোহনত 'ধা' স্বৰ ব্যৱহৃত নহয় | ৩)বাগেশ্ৰীত আৰোহনত 'ধা' ব্যৱহৃত হয় |
| ৪) ভীমপলাসীৰ গায়ন কাল দিনৰ তৃত্ৰিয় প্ৰহৰ | ৪) বাগেশ্ৰী ৰাগৰ গায়ন কাল মাজনিশা |
| ৫) ভীমপলাসীৰ জাতি সম্পৰ্কত মতভেদ নাই | ৫)বাগেশ্ৰী ৰাগত জাতি সম্পৰ্কত মতভেদ নাই |
| ৬) ভীমপলাসীৰ স্বৰ সমষ্টি হ'ল 'মাপনিসা' | ৬) বাগেশ্ৰীৰ স্বৰ সমষ্টি 'মাধানিসা' |

## হমীৰ -কেদাৰ

### সাদৃশ্যতা

১) হমীৰ- কেদাৰ দুয়োটা ৰাগেই কল্যাণ ঠাটৰ অন্তৰ্গত।

২) দুয়োটা ৰাগতে শুদ্ধ আৰু তীব্ৰ দুয়োটা 'মা' ব্যৱহৃত হয়।

৩) দুয়োটা ৰাগতে 'নি' স্বৰটো দুৰ্বল আৰু আৰোহনত বক্ৰভাৱে ব্যৱহাৰ হয়।

৪) দুয়োটাতে অৱৰোহত 'গা' বক্ৰভাৱে লাগে।

৫) দুয়োটা ৰাগৰে গায়ন কাল একে। নিশা প্ৰথম প্ৰহৰ।

৬) দুয়োটা ৰাগেই পূৰ্বাংবাদী ৰাগ।

৭) দুয়োটা ৰাগতে অন্তৰালৈ যাওঁতে 'পা' ৰপৰা পোনপটীয়াকৈ তাৰ সপ্তকৰ 'সা' লৈ যোৱা হয়।

**ভিন্নতা**

| হমীৰ | কেদাৰ |
| --- | --- |
| ১) হমীৰ ৰাগৰ জাতি সম্পূৰ্ণ-সম্পূৰ্ণ | ১) কেদাৰ ৰাগৰ জাতি ঔড়ৱ-সম্পূৰ্ণ |
| ২) ইয়াত আৰোহত 'ৰে' স্বৰ দুৰ্বল | ২) কেদাৰত 'ৰে' স্বৰ বৰ্জিত আৰোহত |
| ৩) হমীৰত 'গা' সম্বাদী স্বৰ | ৩) |
| ৪) হমীৰৰ বাদী স্বৰৰ ক্ষেত্ৰত মতানৈক্য আছে। পা আৰু ধা | ৪) কেদাৰত তেনে মতানৈক্য নাই। ইয়াৰ বাদী স্বৰ 'মা'। |
| ৫) হমীৰৰ আৰোহত 'গা' স্বৰ ব্যৱহৃত | ৫) কেদাৰত আৰোহত 'গা' স্বৰ বৰ্জিত। |

৬) **জীৱনী আৰু সংগীতৰ ওপৰত অৱদানঃ-**

ক) **পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰঃ**

পণ্ডিত বিষ্ণু দিগম্বৰ পলুস্কৰ এজন বিখ্যাত সংগীতজ্ঞ আছিল। তেওঁৰ জন্ম হৈছিল ১৮৭২ খ্ৰীষ্টাব্দত শাওন মাহৰ পূৰ্ণিমা তিথিত মহাৰাষ্ট্ৰৰ বেলগাওঁ নামে এখন সৰু ঠাইত। তেওঁৰ পিতৃৰ নাম দিগম্বৰ গোপাল আৰু মাতৃৰ নাম আছিল গংগা দেৱী।

ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ জগতখনলৈ পুলস্কৰ দেৱৰ অৱদান অতুলনীয়। শাস্ত্ৰীয় সংগীতৰ শিক্ষা, প্ৰচাৰ তথা প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙনি আগবঢ়াই সংগীত কলাক এখন সুকীয়া আসন প্ৰতিষ্ঠা কৰাত সহায় কৰি গ'ল।

বিষ্ণু দিগম্বৰৰ পিতৃ এজন বিখ্যাত কীৰ্তন গায়ক আছিল। সেয়ে দিগম্বৰে সৰুৰে পৰা এটা সংগীতময় পৰিৱেশত ডাঙৰ হোৱাৰ সুবিধা পাইছিল । কিন্তু দুৰ্ভাগ্যবশতঃ অতি কম বয়সতে দুৰ্ঘটনাত পতিত হোৱাৰ বাবে চকুত আঘাত পায় আৰু পঢ়া শুনাৰ পৰা বঞ্চিত হয়। সেয়ে তেওঁৰ দেউতাকে তেওঁক সংগীত শিক্ষা দিয়াটোকে স্থিৰ কৰিলে। যযাৰ ফলস্বৰূপে তেওঁ মিৰাজৰ ৰজাৰ আশ্ৰমত আচাৰ্য্য পণ্ডিত বালকৃষ্ণ বুৱাৰ ওচৰত সংগীতৰ শিক্ষা আৰম্ভ কৰে।

বালকৃষ্ণ বুৱা আছিল এজন গোৱালিয়ৰ ঘৰাণাৰ উচ্চ সংগীতজ্ঞ। সেইজন গুৰুৰ শিক্ষাৰে অতি সোনকালেই শিক্ষিত হৈ বিষ্ণু দিগম্বৰে দক্ষতাৰ পৰিচয় দিয়াৰ সক্ষম হয়। বিষ্ণু দিগম্বৰে ১৫ বছৰ বৰয়সতে বিয়া কৰাই আৰু ১২টা সন্তানৰ জন্ম হৈছিল। দুৰ্ভাগ্যবশতঃ তেওঁৰ সেই ১২ টা সন্তানৰ এটিও জীৱিত নাথাকিল। মাত্ৰ এজন পুত্ৰ সন্তানেই ৩৬ বছৰ জীয়াই আছিল যাক আজিও ভাৰতীয় সংগীতৰ ধ্ৰুৱতৰা আখ্যা দিয়া হয়। যাক সংগীত জগতত ডি.বি. পুলস্কৰ নামে জনা যায়। এই ৩৬ বছৰ বয়সতেই তেওঁ কণ্ঠৰ মধুৰতা তথা গায়ণ শৈলীৰে ভাৰতীয় সংগীতত এক বিশেষ স্থান দখল কৰি গ'ল যাৰ বাবে তেওঁক আজিও গুণীসকলে স্মৰণ কৰে।

গুৰুৰ ওচৰত একুৰি বছৰৰো অধিক শিক্ষা গ্ৰহণ কৰি তেওঁ বিভিন্ন ঠাইত ভ্ৰমণৰ হেতু বাহিৰলৈ যায় আৰু ঠায়ে ঠায়ে নিজৰ প্ৰতিভা আৰু গুৰুৰ শিক্ষাৰে জনতাক মন্ত্ৰমুগ্ধ কৰি তোলে সুমধুৰ গীতৰ জৰিয়তে।

১৯০১ খ্ৰীঃ ৰ ৫ মেত লাহোৰত প্ৰথম সংগীত শিক্ষাৰ অনুষ্ঠান 'গন্ধৰ্ব সংগীত মহাবিদ্যালয়' স্থাপন কৰে। উক্ত সংগীত মহাবিদ্যালয়ৰ আৰম্ভণিৰ লগতে তেওঁ এখন সংগীত বিষয়ৰ আলোচনীও প্ৰকাশ কৰি উলিয়াইছিল।

ইয়াৰোপৰি তেওঁ ভালেমান সংগীত গ্ৰন্থ ৰচনা আৰু স্বৰলিপি এটা নতুন পদ্ধতিও প্ৰচলন কৰে যাক পণ্ডিত বিষ্ণু দিগম্বৰ স্বৰলিপি পদ্ধতি নামে জনা যায়।

পিতাকৰ মৃত্যুৰ পিছত তেওঁ যথেষ্ট আৰ্থিক অনাটনত ভুগিছিল যাৰ পৰা মুক্তি পাবলৈ তেওঁ সংগীত সন্ধিয়া পতাৰ উপৰিও সংগীত বিষয়ত প্ৰচাৰ পত্ৰিকা উলিয়াইছিল। এইদৰে তেওঁৰ পুনৰ আৰ্থিক ভাললৈ আহে।

শেষৰ বয়সত তেওঁ সকলো ত্যাগ কৰি সন্ন্যাসী জীৱন-যাপন কৰিছিল। হাতত একতাৰা লৈ ৰাম নাম ভজন গাই নিজৰ লগতে শ্ৰোতাৰ মনত আনন্দ দিছিল। এইগৰাকী মহান সংগীতজ্ঞই বহুকইজন গুণী শিল্পীক শিক্ষা দান কৰি গৈছে। তাৰ ভিতৰত পণ্ডিত ওকাৰ নাথ, নৰুনাৰায়ণ ৰাও আদি উল্লেখনীয় ।তেওঁৰদ্বাৰা শিক্ষা প্ৰাপ্ত ১০০ জন ছাত্ৰ-ছাত্ৰী বৰ্তমান ভাৰতবৰ্ষৰ একো একোজন ধ্ৰুৱতৰা স্বৰূপ।

শাস্ত্ৰীয় সংগীতৰ একনিষ্ঠ সাধক, শিক্ষা গুৰু আৰু দিক দৰ্শক এইগৰাকী মহান সংগীতজ্ঞই ১৯৩১খ্ৰীঃত মীৰাজ নামৰ ঠাইত ইহলীলা সম্বৰণ কৰে।

**তেখেতৰ সংগীত জগতলৈ অৱদানসমূহঃ-**

১) লাহোৰত ১৯০১ চনত গন্ধৰ্ব সংগীত মহাবিদ্যালয় স্থাপন।

২) ভাৰতীয় সংগীতত উচ্চ স্তৰৰ সংগীতৰ সৃজন কৰ্তাৰূপে অদ্বিতীয় সংগীত গুৰু।

৩) সৰু-বৰ প্ৰায় ৩০ খন গ্ৰন্থ সংগীতৰ ওপৰত লিখি থৈ যায়।

৪) মুম্বাইত "গন্ধৰ্ব মহাবিদ্যালয় মণ্ডল" স্থাপন কৰি সংগীতৰ পাঠ্যক্ৰম অনুযায়ী উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক বিভিন্ন উপাধি প্ৰদানৰ ব্যৱস্থা।

৫) "গন্ধৰ্ব মহাবিদ্যালয় মণ্ডলৰ" জৰিয়তে বিভিন্ন অনুষ্ঠানকে স্বকৃতি কৰি সেই একে পাঠ্যক্ৰমৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষত সংগীত শিক্ষা দানৰ ব্যৱস্থা কৰা।

**খ)ৰাজাভৈয়া পুছৱালে**

এই গৰাকী প্ৰখ্যাত সংগীতবিদৰ জন্ম হয় গোৱালিয়ৰ ওচৰৰ বালকৃষ্ণ নামে ঠাইত ১৮৮২ খ্ৰীঃত। তেওঁৰ পিতৃৰ নাম আছিল বলদেৱ। ৰাজাভৈয়া সৰুতে 'বালকৃষ্ণ অষ্টেকৰ' নামে জনাজাত আছিল। সৰুতে কিবা অসুখত পৰি তেওঁৰ এখন ভৰি বেয়া হৈ গৈছিল ফলত কেইবাবছৰো লেঙেৰীয়াই ঘুৰি ফুৰিছিল। পাছত পুৰীৰ জগন্নাথ মন্দিৰত পূজা দিয়াৰ পাছত অলৌকিক ভাবে তেওঁৰ ভৰিখন সুস্থ হৈ পৰে।

ৰাজাভৈয়াৰ দেউতাক আছিল এজন সুদক্ষ চেতাৰ বাদক। গতিকে সৰুৰে পৰা এটা সংগীতময় পৰিবেশত ডাঙৰ হোৱাৰ সুবিধা ৰাজাভৈয়াই পাইছিল। ৰাজাভৈয়াৰ সংগীতৰ প্ৰতি অনুৰাগ দেখি খুৰাক গণপত ৰাওৱে এগৰাকী সংগীতজ্ঞৰ ওচৰত শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। যেতিয়া তেওঁৰ দেউতাকে চেতাৰ বজাই বা চেতাৰৰ সাধনা কৰে তেতিয়া ৰাজাভৈয়াই ওচৰতে বহি কেবাঘণ্টাযোৰা সাধনা শুনি লৈছিল। পিতাকৰ সৈতে ডাঙৰ ডাঙৰ শাস্ত্ৰীয় সন্মিলনত বিভিন্ন সংগীতজ্ঞসকলৰ পৰিৱেশন ধ্যান সহকাৰে শুনিছিল। পিতাকৰ অনুপ্ৰেৰণাই তেওঁ হাৰমনিয়াম বজাবলৈ শিকাৰ লগতে সুন্দৰকৈ আয়ত্ব কৰি সেই কালৰ গায়ক সকলৰ সৈতে সংগীতত সংগত কৰিবলৈও লয়।

কিছু বছৰৰ পিছত ৰাজাভৈয়া দুৰ্যোগৰ সন্মুখীন হয়। দেউতাক ঢুকুৰাৰ লগে লগে আৰ্থিক অৱস্থাও শোচনীয় হৈ পৰে। ফলত সিমানতে শিক্ষা সমাপ্ত কৰি তেওঁ গোৱালিয়ৰ এটা ৰাজ্যিক কাৰ্যালয়ত টাইপিষ্টৰ কাম কৰে আৰু তাতে পুনৰ গোৱালিয়ৰ সু-প্ৰসিদ্ধ গায়ক শ্ৰী শংকৰ ৰাও পণ্ডিতৰ ওচৰত সংগীতৰ শিক্ষা গ্ৰহণ কৰে। গুৰু শিষ্যৰ মাজৰ মৰমৰ যি সম্পৰ্ক তাক বজাই ৰাখি প্ৰায় দুশতকৈও অধিক বন্দিশ শিকাৰ সমৰ্থ হয়। ইয়াৰ পৰা জানিব পাৰি

# BSV
# 2
## Annual Examination - 2019
### Madhyama
*Vocal*

Time - 3 Hrs. M. Marks - 100

Note: Answer any five questions. Question No. 1 is compulsory. All questions carry equal marks.

नोट : किन्हीं पाँच प्रश्नों के उत्तर दीजिए। प्रश्न संख्या १ अनिवार्य है। सभी प्रश्नों के अंक समान हैं।

1. Write notation of any two of the following :-

a) One Vilambit Khayal in Raga Malkaus or Bihag.

b) One Drut Khayal in Raag Bhimplasi or Sohini

c) Antra of Dhamar in any Raag with Dugun.

d) Sthai of any Dhrupad in Chougun laya of your course.

निम्नलिखित में से किन्हीं दो की स्वरलिपि लिखिये :-

अ) राग मालकौंस अथवा राग बिहाग में एक विलम्बित ख्याल।

ब) राग भीमपलासी अथवा राग सोहनी में एक द्रुत ख्याल।

स) अपने पाठ्यक्रमानुसार किसी धमार का अन्तरा दुगुन सहित।

द) अपने पाठ्यक्रमानुसार किसी ध्रुपद की स्थाई चौगुन सहित।

2. Write down the brief history of Indian Music.

भारतीय संगीत का संक्षिप्त इतिहास लिखियें।

3. Give full description of any two of the following Ragas :-

1) Jaunpuri 2) Kedar 3) Tilak Kamod

निम्नलिखित में से किन्हीं दो रागों का सम्पूर्ण परिचय दीजिये :-

१) जौनपुरी २) केदार ३) तिलक कामोद

4. Write down the following 'Talas' in Thah and Dugun laya :-

1) Rupak 2) Choutal 3) Panjabi

निम्नलिखित तालों को ठाह और दुगुन लय में लिखिये :-

१) रूपक २) चौताल ३) पंजाबी

5. Compare the following Ragas :-

Bageshwari and Bhimplasi

निम्नलिखित रागों की तुलना कीजिये :-

बागेश्री और भीमपलासी

যে পাৰিবাৰিক দুৰ্যোগ তথা অনাটনে তেওঁক সংগীতৰপৰা আঁতৰ কৰিব নোৱাৰিলে। অশেষ কষ্ট স্বীকাৰ কৰিও সেই কালৰ এজন প্ৰখ্যাত সংগীতজ্ঞ বামনবুৱা দেশ পাণ্ডেৰ পৰা সংগীত শিকিবলৈ লয়। ৰাজাভৈয়াই বামনবুৱাৰ পৰা ৪০০শৰো অধিক ধ্ৰুপদ, ধামাৰ, খেয়াল আদি গীতৰ শিক্ষা লাভ কৰে। লগতে তেওঁ ভৈয়াচাহাব (সু-প্ৰসিদ্ধ হাৰমনিয়াম বাদক) তেওঁৰ পৰাও হাৰমনিয়াম বজাবলৈ শিকে। ৰাজাভৈয়া এগৰাকী সুনিপুন হাৰমনিয়াম বাদকো আছিল।

১৯০৭ চনত ৰাজাভৈয়া গোৱালিয়ৰ ঘৰাণাৰ শ্ৰেষ্ঠ গায়কৰ সান্নিধ্যলৈ আহি কেইবাবছৰো গুৰু সেৱা কৰি ৰাজাভৈয়াই গোৱালিয় ঘৰাণাৰ গায়ন শৈলী সম্পূৰ্ণভাৱে আয়ত্ব কৰাৰ সক্ষম হয় আৰু ইয়াৰ লগে লগে নিজকে এগৰাকী সু-গায়ক আৰু বিখ্যাত সংগীতজ্ঞ হিচাপে প্ৰতিষ্ঠা কৰাৰ সক্ষম হয়।

১৯১৭ চনত ভাতখাণ্ডেজীক লগ পায় ৰাজাভৈয়াই ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ পুনৰ উদ্ধাৰৰ দিশত ভাতখাণ্ডেজীয়ে ল'ব খোজা বিভিন্ন পৰিকল্পনাবোৰ ৰাজাভৈয়াক যথেষ্ট আকৰ্ষণ কৰে আৰু ভাতখাণ্ডেজীক পাৰ্যমানে সহায় কৰিছিল। যাৰ অশেষ চেষ্টাত 'মাধৱ সংগীত মহাবিদ্যালয়' স্থাপন হয় আৰু ভাতখাণ্ডেজীয়ে নিজে তেওঁক অধ্যক্ষৰূপে নিৰ্বাচন কৰে।

ভাতখাণ্ডেজীয়ে আৱিস্কাৰ কৰা স্বৰলিপি আৰু শিক্ষাপদ্ধতি ৰাজাভৈয়াই ভালদৰে আয়ত্ত কৰে আৰু প্ৰায় সাতশৰো অধিক গীতৰ সংগ্ৰহ আৰু স্বৰলিপিপৰ ক্ষেত্ৰত ভাটখাণ্ডেজীক সহায় কৰে। ভাতখাণ্ডেজীৰ 'ক্ৰমিক পুস্তক মালিকা' নামৰ গ্ৰন্থৰ ৰচনাত ৰাজাভৈয়াই যথেষ্ট বৰঙণি যোগায়।

ৰাজাভৈয়া পুৰ্বতে বাংসীৰ ওচৰৰ 'পুচ' নামৰ এখন গাঁৱত দক্ষিণ ভাৰতৰ পৰা আহি বাস কৰিছিল। তেওঁৰ সেই গাঁৱৰ নামকৰনস্বৰূপে পেশৱাৰৰ লোকসকলে তেওঁৰ বংশক পছুৱালে ক'বলৈ ধৰে। তাৰোপৰি তেওঁ উপৰি পুৰুষ পেশৱাৰ ৰজাৰ তলতীয়া কৰ্মচাৰী আছিল। সেই মৰ্মে তেওঁৰ নাম হ'ল ৰাজাভৈয়া পুছৱালে।

ৰাজাভৈয়াই কেইবাখনো সংগীত গ্ৰন্থ লিখি থৈ গৈছে। 'তান-মালিকা' তাৰ ভিতৰত প্ৰথম, দ্বিতীয় আৰু তৃতীয় খণ্ড, সন্ত-ভজনামৃত , নাট্য-সংগীত কলাকাৰ ঔৰ উনকী কলা-কৃতি আৰু ধ্ৰুপদ ধমাৰ গায়ন প্ৰথম ৰাগ।

ভাৰতীয় সংগীতৰ প্ৰসাৰ তথা প্ৰচাৰৰ উদ্দেশ্যত আগবঢ়োৱা বৰঙনিৰ বাবে ৰাজাভৈয়াক 'সংগীত ৰত্নাকৰ' উপাধিৰে বিভূষিত কৰা হয়। ১৯৮১ চনত তেওঁ লক্ষ্ণৌৰ পৰা ভাতখাণ্ডে বিদ্যা পীঠৰ পৰা 'সংগীতাচাৰ্য' উপাধি লাভ কৰে।

শাস্ত্ৰীয় সংগীতৰ এই গৰাকী মহান সেৱক তথা একনিষ্ঠ সাধকে প্ৰায় ৭৫ বছৰ বয়সত ১৯৫৬ চনৰ ২ জুলাইত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ ঠিক ৪ দিনৰ আগতে তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতিৰ পৰা 'ৰাষ্ট্ৰপতি পুৰস্কাৰ' লাভ কৰে।

গ) **ওস্তাদ ফৈয়াজ খাঁঃ-**

ওস্তাদ ফৈয়াজ খাঁ এজন মহান তথা সুদক্ষ সংগীতজ্ঞ। তেখেতৰ সংগীত জগতলৈ অৱদান আছিল অতুলনীয়। তেওঁৰ জন্ম হৈছিল ১৮৮৬ চনৰ আগ্ৰাৰ ওচৰৰ সিকন্দৰা নামে ঠাইত। পিতাকৰ নাম আছিল সফদৰ হুছেইন। তেওঁৰ জন্মৰ আগতেই দেউতাকৰ মৃত্যু হোৱা বাবে মোমায়েকৰ ঘৰত ডাঙৰ দীঘল হয়। তেওঁৰ ককাক এজন বিখ্যাত সংগীতজ্ঞ আছিল। তেওঁৰ নাম আছিল আব্বাস খাঁ। ককাকৰ ওচৰত ৫ বছৰ বয়সৰপৰাই তেওঁ সংগীতৰ শিক্ষা গ্ৰহণ কৰে। সেই সময়ত আগ্ৰাত বহুতো খ্যাতনামা সংগীতৰ ওস্তাদ আছিল। তেওঁ সৰু কালতেই ককাকৰ সান্নিধ্যত ওস্তাদ নথন খাঁ চাহেবৰ সৈতে চিনাকী হৈ তেওঁৰ সৎ সংগত থাকি সংগীতৰ কলা কৌশল পোৱাৰ সুবিধা

6. **Write short notes on the following :-**

a) Sandhi Prakash Raag  b) Poorva and Uttar Raag

निम्नलिखित पर संक्षिप्त टिप्पणी लिखिये :-

अ) सन्धि प्रकाश राग  ब) पूर्व एवं उत्तर राग

7. **Clarify the importance of classification of Ragas in Indian Classical Music.**

भारतीय शास्त्रीय संगीत में राग वर्गिकरण के महत्व को स्पष्ट कीजिये।

8. **Describe the parts of Tanpura and explain the method of tunning.**

तानपुरे के अंगों का वर्णन कीजिये तथा इसे मिलाने की विधि को समझाइये।

9. **Identify the following Ragas and write down brief Alaps and Taans :-**

**(i) Sa, Re Sa, Ga Ma Dha**

**(ii) Ṡa, Ni Ṡa Ṙe Ni Dha Pa , Ma Pa Ga Re Sa**

निम्नलिखित रागों को पहचानिये और प्रत्येक के संक्षिप्त आलाप और तान लिखिये :-

(१) सा रे सा, ग म ध

(२) सां, नी सां रें नि ध प, म प ग रे सा

10. **Write down the contribution of Pt. Vishnu Digamber Paluskar in Music World.**

**पं० विष्णू दिगम्बर पालुस्कर जी के संगीत जगत में योगदान के बारे में लिखिये।**

ঘটে। তাৰোপৰি ফিদা হুছেইন খাঁ চাহেবৰ পৰাও সংগীতৰ বিভিন্ন গায়ন শৈলী শিকাৰো সক্ষম হয়।

ফৈয়াজ খাঁ এজন অতি প্ৰভাৱশালী ব্যক্তি আছিল। একেধাৰে তেওঁ ধ্ৰুপদ, ধমাৰ, ঠুমৰী, খ্যাল গায়কী আৰু গজল গায়নত অদ্বিতীয় আছিল। আগ্ৰাৰ বাহিৰেও তেওঁ বৰোদা, মহীশূৰ, অখিল ভাৰতীয় সংগীত পৰিষদ আৰু এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰাৰ সক্ষম হয়। ইয়াৰোপৰি তেওঁক সেই বিশ্ববিদ্যালয় সমূহৰ পৰা উচ্চতম প্ৰশংসনীয় পত্ৰও প্ৰদান কৰিছিল।

মহাৰাজ সয়াজী ৰাৱৰ ৰাজসভাৰ তেওঁ এজন ৰাজ গায়ক আছিল। সেইকালত তেওঁ অনেক ধ্ৰুপদ, ধমাৰ, খ্যাল আদি ৰচনা কৰি শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰিছিল। তেওঁৰ সংগীতৰ অপৰাজয় সাধনাৰ কাৰণেই সেই ৰাজসভাত ৰজা সয়াজী ৰাৱৰে তেওঁক 'জ্ঞানৰত্ন' উপাধি প্ৰদান কৰে।

ইয়াৰোপৰি সেই সময়তেই তেওঁ মুম্বাই, কলকাতা, দিল্লী, লক্ষ্ণৌ, লাহোৰ আকাশবাণী কেন্দ্ৰৰ পৰা বিভিন্ন ৰাগ যেনে— তোৰী, ললিত, মুলতানী, দৰবাৰী আদি ৰাগৰ ওপৰত ধমাৰ, ধ্ৰুপদ খ্যাল আদি প্ৰচাৰ কৰিছিল।

তেওঁৰ অপৰাজেয় সংগীত সাধনাৰে নোম, তোম আলাপ বহলাৱা, বন্দিশৰ লালিত্য আদি উল্লেখনীয়। গজল আৰু ঠুমৰীতো তেওঁৰ অগাধ ব্যুপত্তি আছিল।

১৯৩০ চনত তেওঁ ইহলীলা সম্বৰণ কৰে মাত্ৰ ৩৫ বছৰ বয়সতে।

ইমান কম সময়তে সংগীত জগতলৈ অতুলনীয় তথা মহান অৱদান আগুৱাই যোৱা এই গৰাকী পণ্ডিতৰ মাহাত্ম্য আজিও সকলোৰে মাজত বিয়পি আছে। তেওঁৰ পাছত তেওঁৰ মহান শিষ্যসকলে ভাৰতৰ নানা ঠাইত তেওঁৰ সংগীতৰ বীজ সিঁচি প্ৰচাৰ আৰু প্ৰসাৰত লিপ্ত হৈ পৰিছিল।

তেওঁৰ প্ৰিয় শিষ্যৰ ভিতৰত আছিল পণ্ডিত কৃষ্ণ নাৰায়ণ ৰতন ঝংকাৰ, দিলীপ চন্দ্ৰ বেদী, ওস্তাদ নিসাৰ হুচেইন খাঁ, আতা হুচেইন আদি উল্লেখনীয়।

---------------------

# মধ্যমা(Madhyama)
# গায়ন(Vocal)
# ক্ৰিয়াত্মক(Practical)

১) নিৰ্ধাৰিত ৰাগসমূহ ঃ- ১) হমীৰ ২)কেদাৰ ৩)বিহাগ

৪) বাগেশ্ৰী ৫) বৃন্দাবনী সাৰংগ ৬) ভীমপলাসী

৭) জৌনপুৰী ৮) মালকোস

প্ৰতিটো ৰাগতে বিলম্বিত আৰু ছোটা খ্যাল, আলাপ আৰু তানৰ সৈতে জনাৰ আৱশ্যক।

১) তিলক-কামোদ ২) সোহনী

এটা দ্ৰুত খ্যাল আলাপ আৰু তানৰ সৈতে নিৰ্ধাৰিত ৰাগৰ দুটী ধ্ৰুপদ, দুটা ধমাৰ ঠাহ, দ্বিগুন আৰু চৌগুন লয়কাৰীত জনা আৱশ্যক।